গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া গুৰু পাঠ্যক্ৰমৰ ৬০৫৬ প্ৰশ্নকাকতৰ বাবে প্ৰস্তুত কৰা

# ক্ষুদ্ৰ গৱেষণা পত্ৰ

## বিষয় ঃ বাঁহজানী গাঁৱৰ কৃষিভিত্তিক উৎসৱ অনুষ্ঠান -পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ ঃ

Presented 04/06/2024

10/5/24


তত্ত্বাৱধায়িকা

**ড° হীৰামণি তালুকদাৰ**

সহকাৰী অধ্যাপিকা

অসমীয়া বিভাগ

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী

নাম ঃ প্ৰস্তুতি বেজবৰুৱা

শ্ৰেণী ঃ ষষ্ঠ ষান্মাসিক

ৰোল নং- UA-২১১-১৯৩-০২২৬

পঞ্জীয়ন নং- ২১০২৩৫২৫


**মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়**

: সূচী পত্র :


| অধ্যায় | বিষয় | পৃষ্ঠা নং |
|---|---|---|
| | ক) পাতনি | ক - খ |
| | খ) কৃতজ্ঞতা স্বীকাৰ | গ - ঘ - ঙ |
| | গ) মানচিত্ৰ | চ |
| | ১.০০. অৱতাৰনিকা | |
| | ১.১. অধ্যয়নৰ বিষয়বস্তু | |
| | ১.২. অধ্যয়নৰ ক্ষেত্ৰ | |
| | ১.৩. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য | |
| | ১.৪. অধ্যয়নৰ প্ৰয়োজনীয়তা | |
| | ১.৫. পূৰ্বীকৃত অধ্যয়ন | |
| | ১.৬. অধ্যয়নৰ পদ্ধতি | |
| | ১.৭. প্ৰমেয় | |
| প্ৰথম অধ্যায় : | | ৮ - 20 |
| | ২.00 গাঁৱৰ পৰিচয় | |
| | ২.১. নলবাৰী জিলাৰ পৰিচয় | |
| | ২.২. গাঁৱৰ ভৌগোলিক স্থিতি, সীমা আৰু মাটিকালি | |
| | ২.৩. গাঁৱৰ জনসংখ্যা | |
| | ২.৪. গাঁৱৰ জীৱিকা | |
| | ২.৫. গাঁৱৰ ধৰ্ম | |

২.৬. গাঁৱৰ প্ৰসিদ্ধ স্থান

দ্বিতীয় অধ্যায় : ৩.০০. সংস্কৃতিৰ স্বৰূপ ২১ – ৩৩

৩.১. সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাগ

৩.২. অভিজাত সংস্কৃতি

৩.৩. লোকসংস্কৃতি

৩.৪. জনজাতীয় সংস্কৃতি

তৃতীয় অধ্যায় : ৪.০০ লোকাচাৰ ৩৪ – ৩৮

৪.১. লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ

৪.২. লোকাচাৰৰ সৈতে সামাজিক আৰু আৰ্থ সামাজিক সম্পৰ্ক

চতুৰ্থ অধ্যায় : ৫.০০ বঁহাগ বিহুৰ লোকাচাৰ ৩৯ – ৫২

৫.১. গৰু বিহু

৫.২. মানুহ বিহু

৫.৩. বঁহাগ বিহুৰ লগত গছ-লতিকাৰ সম্পৰ্ক

৫.৪. বঁহাগ বিহু সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ

পঞ্চম অধ্যায় : ৪৩ - ৪৬
৬.০০. কাতি বিহুৰ লোকাচাৰ
৬.১. তুলসী গছ ৰোৱাৰ পৰম্পৰা
৬.২. আকাশ বন্তি
ষষ্ঠ অধ্যায় : ৪৭ - ৬১
৭.০০. মাঘ বিহুৰ লোকাচাৰ
৭.১. মাঘ বিহুৰ লগত জড়িত
নীতি - নিয়ম
৭.২. খেল - ধেমালি
সপ্তম অধ্যায় : ৬২ - ৬৩
৮.০০ উপসংহাৰ
গ্ৰন্থ পঞ্জী ৬৪
আলোক চিত্ৰ ৬৫ - ৬৬

# পাতনি

বাঁহজানী গাঁওখনৰ বিষয়ক লৈ গৱেষণা কাৰ্যত অৱতীৰ্ণ হ'বলগীয়া পথটো সংগুৰ পৰ্বত আৰোহনৰ প্ৰচেষ্টা বুলি অনুভৱ কৰিছোঁ। এক বহুল বিষয়ৰ গৱেষণাৰ ক্ষেত্ৰলৈ এয়া ক্ষুদ্ৰ প্ৰচেষ্টা। গাঁওখনৰ সংস্কৃতি, লোকাচাৰ আদি বিষয়টিলৈ বিশেষ আগ্ৰহেৰে গৱেষণা কাৰ্য আৰম্ভ কৰিছোঁ। সংস্কৃতি, লোকাচাৰৰ সামাজিক দিশ ক'ত, জন্ম ক'ত গৱেষণাৰ মাধ্যমেৰে বিচাৰিবলৈ চেষ্টা কৰা হ'ল। প্ৰথমতে বিষয়টি কত পৰা আৰম্ভ কৰিম গুৰি বিচাৰি পোৱা নাছিলো যদিও সেয়া সম্ভৱ হৈছিল ক্ষেত্ৰ অধ্যয়নৰ যোগেদি। কোনো এটা জাতিৰ জীৱন ধাৰণ প্ৰণালী, লোকাচাৰৰ ধৰ্ম আদি বিষয়বোৰ কিছু পৰিমানে স্পৰ্শকাতৰ, সেয়ে জাতিটোৰ কোনো বিষয়ত আঘাত নোহোৱাকৈ গৱেষকৰ দৃষ্টিত নিৰপেক্ষ অধ্যয়ন কৰিবলৈ আৰম্ভনিৰে পৰা যত্নকৰ হৈছো।

গৱেষণাৰ প্ৰকল্পৰ বিষয়টো পৰ্য্যালোচনাৰ সুবিধাৰ্থে ছয়টা অধ্যায়ত ভাগ কৰা হৈছে। প্ৰস্তাৱনাক মূল অধ্যায় হিচাপে লৈ অধ্যয়নৰ বিষয়বস্তু, ক্ষেত্ৰ, লক্ষ্য আৰু উদ্দেশ্য, প্ৰয়োজনীয়তা, পূৰ্বকৃত অধ্যয়ন, অধ্যয়নৰ পদ্ধতি আৰু প্ৰমেয় উল্লেখ কৰা হৈছে। প্ৰথম অধ্যায়ত গাঁৱৰ পৰিচয়ৰ লগতে নলবাৰী জিলাৰ পৰিচয়, দ্বিতীয় অধ্যায়ত সংস্কৃতিৰ স্বৰূপ, তৃতীয় অধ্যায়ত লোকাচাৰ, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়ত ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহুৰ লোকাচাৰ আৰু বিশ্বায়নৰ প্ৰভাৱ আদি সন্নিৱিষ্ট কৰা হৈছে।

## কৃতজ্ঞতা স্বীকাৰ

মই মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ ষষ্ঠ ষাণ্মাষিকৰ অসমীয়া বিভাগৰ এজনী ছাত্ৰী। গুৱাহাটী বিশ্ববিদ্যালয়ে অসমীয়া বিষয়ৰ চতুৰ্থ কাকতৰ (ASM-HE-6056) গৱেষণাৰ বাবে বাধ্যতামূলকভাৱে প্ৰস্তুত কৰা কাৰ্যটো আমাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে। উচ্চ শিক্ষাৰ নতুন শিক্ষা নীতিৰ ভিতৰত গৱেষণাৰ পত্ৰ প্ৰস্তুত কৰণটো এক উল্লেখযোগ্য দিশ। স্নাতক পৰ্যায়ত গৱেষণাৰ দিশৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে ইয়াৰ মানদণ্ড বহু পৰিমানে উচ্চতালৈ নিছে আৰু গৱেষণাই কোনো সমস্যা সমাধান কৰি এক আদৰ্শ প্ৰতিষ্ঠা কৰে লগতে এই আদৰ্শয়ে সমাজৰ অগ্ৰগতিত সহায় কৰে সেয়ে এনে পাঠ্যক্ৰম অন্তৰ্ভুক্তিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ধন্যবাদৰ পাত্ৰ।

বাধ্যতামূলকভাৱে প্ৰস্তুত কৰা গৱেষণাৰ কাৰ্যত সকলো বিভাগৰ ছাত্ৰ - ছাত্ৰীয়ে আৰু মাননীয়

শ্ৰীযুতা হীৰামনি তালুকদাৰ বাইদেউৰ তত্ত্বাৱধানত "বাঁহজানী গাৱঁৰ কৃষিভিত্তিক উৎসৱ অনুষ্ঠান - পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ" এই বিষয়টি বাছি লৈছো। এই গৱেষণা কাকতখন প্ৰস্তুত কৰোঁতে মহেন্দ্ৰ নাৰায়ন চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অধ্যাপিকা তথা মোৰ গৱেষণা কাকতৰ তত্ত্বাৱধায়িকা শ্ৰী যুতা হীৰামনি তালুকদাৰ বাইদেউক মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

গৱেষণা কাকতখন প্ৰস্তুত কৰোঁতে ব্যৱহাৰ কৰা প্ৰয়োজনীয় তথ্যপাতিৰ লগত প্ৰয়োজনীয় গ্ৰন্থৰ বাবে মহেন্দ্ৰ নাৰায়ন চৌধুৰী বালিকা মহাবিদ্যালয়ৰ পুথিভঁৰালৰ সহায় লৈছো ইয়াৰ উপৰিও বিভিন্ন আলোচনীৰ সহায় লৈছো। এই ক্ষেত্ৰত মহেন্দ্ৰ নাৰায়ন চৌধুৰী বালিকা মহাবিদ্যালৰ পুথিভঁৰালৰ সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ।

এই গৱেষণাৰ বিষয়টি প্ৰস্তুত কৰোঁতে সৰ্বতো প্ৰকাৰে উৎসাহ আৰু আশীৰ্বাদ দিয়া মা - দেউতা তথা সকলো ক্ষেত্ৰতে সহায় কৰা বান্ধৱী ক্ৰমে প্ৰনামি, তৃষ্ণা আৰু গীতুমনিলৈ

কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ লগতে অসমীয়া বিভাগৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাইদেউৰ আন্তৰিক শ্ৰদ্ধা জনালো।

প্ৰস্তুতি বেজবৰুৱা
১/০৫/২০২৪


Ananta store
Niz-Bahjani
Budru Kuchi
Bagals Road Chowk
Jaha
Map data ©2024

(চ) মানচিত্র

১.০০ : অৱতাৰনিকা :

সংস্কৃতি এটা জাতি জীৱনধাৰা। এটা ক্ৰমোন্নতিশীল জাতিৰ জাতীয় সম্পদ হ'ল- ভাষা, সাহিত্য, ৰীতি-নীতি, ধৰ্ম, মানসিক, উৎকৰ্ষ, সুকুমাৰ কলা, স্থাপত্য, ভাস্কৰ্য্য, লোকবিশ্বাস আদি। মানুহৰ সৌন্দৰ্যবোধ, সৃষ্টি প্ৰতিভা আৰু মানসিক উৎকৰ্ষই সংস্কৃতিৰ উৎস। আদিম মানৱে ঐন্দ্ৰজালিক ক্ৰিয়া-কাৰ্য উদযাপন কৰাৰ মূলতে আছিল ভয়াবহ প্ৰকৃতিক সন্তুষ্ট কৰা, দিনবোৰ দীঘলীয়া কৰা, শীতকালক দূৰীভূত কৰা, খেতিপথাৰ, অৰণ্য, আকাশ আদিৰ দেৱ-দেৱীক সন্তুষ্ট কৰা আৰু বিশেষকৈ আই ধৰিত্ৰী উৰ্বৰতা বৃদ্ধি কৰা। মানুহৰ মন প্ৰগতিশীল, সংস্কৃতিও প্ৰগতিশীল। আহাৰ বিচাৰি ফুৰা আদিম মানুহে পৃথিৱী কৰ্ষন কৰি, শস্য উৎপাদন কৰি পেট পূৰাই খাবলৈ শিকিলে। শস্য উৎপাদনৰ আনন্দই জন্ম দিলে উৎসৱৰ। শস্যদাত্ৰী পৃথিৱীৰ প্ৰতি কৃতজ্ঞতা জনাই সৃষ্টি ক্ষমতাক স্বীকৃতি দি পূজা কৰিলে মাতৃৰূপা পৃথিৱীক। পূজাৰ সময়ত

পুঞ্জীভূত অনুভূতিয়ে আত্মপ্ৰকাশ কৰিলে সংগীত হৈ। স্থান কাল পাত্ৰই জন্ম দিলে সীমাহীন লোকাচাৰ লৌকিক সংস্কৃতি। প্ৰায়বিলাক উৎসৱ - অনুষ্ঠানৰ অন্তৰালত আছে আদিম মানৱৰ বিশ্বাস আৰু ক্ৰিয়াকাণ্ড উৎসৱ অনুষ্ঠিত হোৱাৰ সময়ত মানুহে পৰম্পৰাগত পোচাক - পৰিচ্ছদ পৰিধান কৰে। উৎসৱ আচৰণত সন্তুষ্টি, মঙ্গল কামনা আদি ভাব প্ৰকাশ পায় খোৱা লোৱা আদিৰ জৰিয়তে। এই আচৰণৰাজিবোৰৰ সমষ্টিয়েই উৎসৱ। উৎসৱ শব্দটোৰ অৰ্থই হৈছে মানুহক উৎসাহিত কৰা, মানুহৰ প্ৰতি মানুহক শ্ৰদ্ধাশীল কৰি তোলা, আনন্দত মতলীয়া কৰি তোলা, উদ্বুদ্ধ কৰি তোলা। উৎসৱৰ লগত জড়িত হৈ থাকে নাচ - গান, গীত - নৃত্য, পূজা - সেৱা, খেলা - ধূলা ইত্যাদি অনেক অনুষ্ঠান। আদিম লোক সমাজৰ বিশ্বাস আছিল যে এনেবোৰ কাৰ্যত যাদুকৰী শক্তি নিহিত হৈ থাকে। উৎসৱ পাৰ্বনবোৰৰ মাজত এটা জাতিৰ পৰিচয় ফুটি উঠে।

## ১.১ ; অধ্যয়নৰ বিষয়বস্তু ঃ

অসম ৰাজ্যৰ জিলাসমূহৰ ভিতৰত নলবাৰী এখন উল্লেখযোগ্য জিলা। নলবাৰী জিলাৰ গাঁওসমূহ ভিতৰত আমাৰ বাঁহজানী গাঁওখন উল্লেখযোগ্য। আমাৰ বাঁহজানী গাঁৱত বিভিন্ন উৎসৱ-অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই বিষয়টিত বাঁহজানী গাঁৱৰ লোকাচাৰ, কৃষিভিত্তিত উৎসৱ অনুষ্ঠান, প্ৰসিদ্ধ স্থান সংস্কৃতি আদিৰ অধ্যয়ন কৰা হৈছে। ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু কেনেদৰে পালন কৰা হয় সেই বিষয়েও ইয়াত আলোচনা কৰা হৈছে। এই অধ্যয়নত "বাঁহজানী গাঁৱৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান পৰম্পৰা আৰু পৰিবৰ্তন" শীৰ্ষক বিষয়টি নিৰ্বাচন কৰিছো।

১.২: অধ্যয়নৰ ক্ষেত্ৰ :

ক্ষেত্ৰ অধ্যয়ন হৈছে ভৌগোলিক বিষয়ৰ এক অন্যতম অংশ। ক্ষেত্ৰ ভিত্তিক অধ্যয়নে অঞ্চল সমূহৰ জৈৱিক আৰু অজৈৱিক উপাদান সমূহৰ উপস্থিতি আৰু চাৰিওফালৰ পৰিৱেশৰ অৱস্থাৰ বিষয়ে জ্ঞান আহৰণ কৰাত সহায় কৰে। নলবাৰী জিলাৰ বাঁহজানী গাঁওখন ক্ষেত্ৰ-ভিত্তিক অধ্যয়নৰ ক্ষেত্ৰ হিচাপে বাচি লোৱা হৈছে। গাঁওখনৰ ভৌগোলিক অৱস্থান, লোকাচাৰ, ধৰ্ম, জীৱিকা ইত্যাদি সম্পৰ্কে অধ্যয়ন কৰাৰ বাবে বাচি লোৱা হৈছে।

১.৩: অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য :

বাঁহজানী গাঁৱৰ গাঁওবাসীৰ পৰিচয়ৰ লগতে এওঁলোকৰ মাজত প্ৰচলিত লোকাচাৰ সম্পৰ্কে আলোচনা কৰা।

বাঁহজানী গাঁৱত প্ৰচলিত হিন্দু ধৰ্মৰ লোকৰ পৰিচয়, সংস্কৃতি, লোকাচাৰ আৰু ইয়াৰ পৰিৱৰ্তনৰ লগতে বিশ্বায়নৰ প্ৰভাৱৰ বিষয়ে আলোচনা আগবঢ়োৱা।

১.৪ : অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ

বৰ্তমান শিক্ষা ব্যৱস্থাত গৱেষণা এটা গুৰুত্বপূৰ্ণ দিশ। ভাৰতবৰ্ষৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ দৰে গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক মহলাৰ ষষ্ঠ ষান্মাসিকৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে 'বাধ্যতামূলক গৱেষণা পত্ৰ' বিষয়টো। এই গৱেষণাৰ বিষয় হিচাপে 'বাঁহজানী গাঁৱৰ কৃষি-ভিত্তিক উৎসৱ অনুষ্ঠান : পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ' শীৰ্ষক বিষয়টো বাছি লোৱা হৈছে। অসমীয়া প্ৰায় মানুহৰ মূল জীৱিকা যিহেতু কৃষি আৰু ইয়াৰ লোক উৎসৱসমূহো উদযাপিত হয় খেতিৰ আৰম্ভণিত আৰু খেতি চপোৱাৰ সময়ত। বাঁহজানী গাঁৱৰ বিষয়ে যিহেতু এতিয়ালৈকে অধ্যয়ন হোৱা নাই সেয়েহে গাঁওখনৰ উৎসৱ-অনুষ্ঠানৰ পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়নৰ এক প্ৰয়োজনীয়তা আছে।

১.৫ : পূৰ্বীকৃত অধ্যয়ন :

পূৰ্বতে বাঁহজানী গাঁৱৰ উৎসৱ-অনুষ্ঠানৰ বিষয়ে কোনো ধৰণৰ গৱেষণা বা অধ্যয়ন হোৱা নাই। সেইবাবে অতীতৰ কালৰ পৰা কোনো ধৰণৰ লিখিত তথ্য পোৱা নাযায়।

১.৬ : অধ্যয়নৰ পদ্ধতি :

এখন গৱেষণা পদ্ধতি প্ৰস্তুতকৰণৰ বাবে বিভিন্ন পদ্ধতিৰ আৱশ্যক। এই গৱেষণাৰ পত্ৰখন প্ৰস্তুতকৰণৰ বাবে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিক অৱলম্বন কৰা হৈছে।

১.৭. প্ৰমেয় :

ক) নলবাৰী জিলাৰ পৰিচয়ৰ লগত আমাৰ গাঁওখনৰ খুলমুল আভাস।

খ) সংস্কৃতিৰ স্বৰূপ, সংজ্ঞা আদিৰ চমু আলোচনা।

গ) লোকাচাৰৰ সৈতে আৰ্থসামাজিক আৰু সামাজিক সম্পৰ্কৰ কিছু ধাৰণা।

ঘ) বিহুৰ গুৰুত্ব আৰু উৎসৱ-অনুষ্ঠানৰ গুৰুত্ব।

ঙ) ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহুৰ লোকাচাৰৰ পৰিৱৰ্তনৰ লগতে বিশ্বায়নৰ প্ৰভাৱৰ বিষয়ে অৱতাৰণা কৰা হ'ব।

# প্রথম অধ্যায়

ৰাইজ একতাৰ দোলেৰে বান্ধি ৰাখিছে। ৰাইজৰ সহায় সহযোগিতাৰে এই অনুষ্ঠান সমূহ অতীজৰে পৰা বৰ্তমানলৈকে অতি সুন্দৰ ভাৱে চলি আহিছে।

গাঁৱৰ পশ্চিম ভাগত আছে— গোপাল মন্দিৰ, শিৱ মন্দিৰ, শংকৰদেৱৰ নামঘৰ আদি। ইয়াৰ নিচেই ওচৰত এখন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰও আছে। ইয়াৰ লগতে শিৱ মন্দিৰৰ প্ৰাংগনত এটা পুখুৰী আছে। ইয়াত মন্দিৰৰ কাম-কাজৰ বাবে ব্যৱহাৰ কৰা হয়। লগতে বিয়াৰ লগতে আন বহুতো শুভ অনুষ্ঠানৰ বাবেও এই পুখুৰীটোৰ পানী ব্যৱহাৰ কৰা হয়।

## ২.১ঃ নলবাৰী জিলাৰ পৰিচয় ঃ

অসমৰ বৰ্তমান ৩৪ খন জিলাৰ ভিতৰত নলবাৰী জিলা অন্যতম। ১৯৮৫ চনৰ ১৪ আগষ্টত নলবাৰী এক সুকীয়া জিলা হিচাপে অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনিক মানচিত্ৰত স্বীকৃতি লাভ কৰে। অসম চৰকাৰৰ ১৪/৮/১৯৮৫ তাৰিখৰ GAG(B)/46/84/33 নং অধিসূচনা মৰ্মে নলবাৰী চহৰক জিলাৰ সদৰ হিচাপে লৈ এই জিলাখন গঠন হয়। ইয়াৰ আগতে ১৯৬৭ চনৰ পৰাই (তাৰিখ ১-৪-১৯৬৭) নলবাৰী অবিভক্ত কামৰূপ জিলাৰ এটা মহকুমা আছিল। ইয়াৰ অৱস্থিতি ২৬°১০′ উত্তৰ অক্ষৰেখাৰ পৰা ২৬°৪৭′ উত্তৰ অক্ষৰেখালৈ আৰু ৯০°১৫′ পূব দ্ৰাঘিমাৰ পৰা ৯১°৩৮′ পূব দ্ৰাঘিমালৈ বিস্তৃত।

নলবাৰী জিলা ৯ টা ৰাজহ চক্ৰ আৰু ৭ টা উন্নয়ন খণ্ডক লৈ গঠন হৈছিল আৰু বৰ্তমানে এই জিলা ১১ টা ৰাজহ চক্ৰ আৰু ১২ টা উন্নয়ন খণ্ডলৈ বৃদ্ধি পাইছে। নলবাৰী জিলাৰ

পূবে কামৰূপ জিলা, উত্তৰে ভূটানৰ আন্তৰ্জাতিক সীমা, পশ্চিমে বৰপেটা জিলা আৰু দক্ষিণে কামৰূপ জিলাৰে আবৃত। জিলাখনত মুঠ গাঁও পঞ্চায়তৰ সংখ্যা ১১০ খন আৰু মুঠ গাঁৱৰ সংখ্যা ৮২৭ খন। ইয়াৰে ৮০৩ খন গাঁৱতে জনবসতি আছে। বাকী ২৪ খন গাঁও নদী খহনীয়াৰ বাবে জনবসতিহীন হৈ পৰিছে। জনসংখ্যাৰ ফালৰ পৰা জিলাখনৰ জনসংখ্যা অসমৰ মুঠ জনসংখ্যাৰ ৪.৩১ শতাংশ।

নলবাৰী নামৰ উৎপত্তি সম্পৰ্কে ভিন্ন মত পোৱা যায়। কথিত আছে বৰ্তমান নলবাৰী চহৰৰ মাজেৰে এসময়ত নোৰা নামে এখন নৈ বৈ গৈছিল। জাপাৰকুছিকে ধৰি সমগ্ৰ অঞ্চলটো দ বিল আছিল। পিছত ভূমিকম্পত এই বিলখন বামত পৰিণত হয় আৰু নল-খাগৰিৰে ভৰি পৰে। উনৈছ শতিকাৰ মাজভাগত ভূটীয়াসকলে গোহাঁই কমল আলি

পর্যন্ত উত্তৰ দিশৰ পৰা অত্যাচাৰ আৰম্ভ কৰে। এই অত্যাচাৰত বহুতো লোক স্থানচ্যুত হৈ দক্ষিন দিশলৈ গুচি যায়। ইতিমধ্যে বিলৰ পৰা বামত পৰিনত হোৱা নল খাগৰিৰে ভৰপুৰ জাপাৰকুচি অঞ্চলটোত এই স্থানচ্যুত লোকসকলে বসতি আৰম্ভ কৰে। এই অঞ্চলটোৰ উত্তৰ - পূব দিশত খাটাবাৰী নামৰ গাঁও এখন আছিলেই। নৱাগতসকলে খাটাবাৰী নামৰ সাদৃশ্যৰে তেওঁলোকৰ নতুন বসতি অঞ্চলটোৰ নাম নলবাৰী ৰাখিছিল বুলি অনুমান কৰা হয়। আন এক মত অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ পাৰৰ এই পাকৰা অঞ্চলটো ঘন জনবসতিৰ বাবে নৰ + বাৰী = নৰবাৰহী হয় আৰু পিছলৈ 'নৰবাৰী'ৰ পৰা 'নলবাৰী' (নৰবাৰী > নলবাৰী) হয়।

নলবাৰী জিলা জনজাতীয় অজনজাতীয় লোককে ধৰি বিভিন্ন জনগোষ্ঠী, বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বাবে বহনীয়া সংস্কৃতিৰ মিলনভূমি। জিলাখনৰ উত্তৰ অঞ্চলটো প্ৰধানত: বড়ো

জনগোষ্ঠীৰ আৱাসভূমি আৰু সম্প্ৰতি নৱগঠিত বাকসা জিলাৰ অন্তৰ্গত। কেন্দ্ৰ অঞ্চল বৰ্ণহিন্দু আৰু থলুৱা মুছলমানৰ ঐতিহাসিক মিলনক্ষেত্ৰ। একেবাৰে দক্ষিণ অংশটো ধৰ্মীয় সংখ্যালঘু থলুৱা ন-অসমীয়া অধ্যুষিত অঞ্চল।

অসমৰ মুঠ আয়তনৰ ২.৮৮ শতাংশ নলবাৰী জিলা আগুৰি আছে আৰু ইয়াৰ বিপৰীতে জিলাখনে অসমৰ মুঠ জনসংখ্যাৰ ৪.৩১ শতাংশ জনসংখ্যা বহন কৰিবলগীয়া হৈছে।

নিম্নলিখিত ১৯৩১ চনৰ পৰা ২০০১ চনলৈ লোকপিয়ল অনুসৰি নলবাৰী জিলাৰ জনসংখ্যাৰ তালিকা এনেদৰে দিয়া হ'ল —

| বছৰ | জনসংখ্যা | দশকটোত শতকৰা পৰিবৰ্তন |
|---|---|---|
| ১৯৩১ | ২,৭৪,৮৩৭ | |
| ১৯৪১ | ৩,৫১,৪৫৩ | ২৯.৪৩ |
| ১৯৫১ | ৪,০১,৩৮৯ | ১৭.৮৯ |
| ১৯৬১ | ৫,২১,৮০৬ | ৪২.০২ |
| ১৯৭১ | ৬,৯৯,৮১৪ | ৪২.০২ |
| ১৯৮১ | ৯,৭০,০০০ (প্ৰাককলন) | |
| ১৯৯১ | ১০,১৬,৩৯০ | ৪৯.২৭ |
| ২০০১ | ১১,৪৮,৮২৬ | ১৩.০৩ |

| আয়তন (বৰ্গ কি. মি.) | জনসংখ্যা (২০০১ চন) | জনসংখ্যাৰ ঘনত্ব (২০০১ চন) | মুঠ জনসংখ্যাৰ শতকৰা |
|---|---|---|---|
| ১২.৫০ | ২৬.১৮৩ | ১৮৫৫ | ২.০১ |
| ১.৪০ | ৪৩০১ | ৩০৭৪ | ০.৩৮ |

## ভূ-প্ৰকৃতি ঃ

সমগ্ৰ নলবাৰী জিলাখনেই বিশাল ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ পাৰৰ অংশবিশেষ। সেইযোগেদৰে পৰা অসম উপত্যকাৰ অংশৰ পৰা জিলাখনৰ ভূ-প্ৰকৃতি পৃথকে চিনাক্ত কৰিব নোৱাৰি। ভূমিভাগৰ স্বাভাৱিক ঢাল (slope) উত্তৰৰ পৰা দক্ষিণলৈ প্ৰতি কিলোমিটাৰত ১° তকৈও কম। জিলাখনৰ পশ্চিম প্ৰান্তৰ পৰা আৰম্ভ কৰি পূব প্ৰান্তলৈ ক্ৰমে টিহু, মৰাপাগলাদিয়া, কানাইখুলদা, বুড়াদিয়া, পাগলাদিয়া, নোনা, ঘোগ্ৰা আদি নদীসমূহে উত্তৰৰ পৰা দক্ষিণলৈ বৈ গৈ ব্ৰহ্মপুত্ৰ নদীত মিলিছে। প্ৰায় সমানুৰাল গতিত প্ৰৱাহিত নদীসমূহে দক্ষিণলৈ ব্ৰহ্মপুত্ৰ নদীত মিলি যোৱাৰ আগচোৱাত সঘনে বানপানী পীড়িত নিম্ন অঞ্চলটোত বিল আৰু পাতনিৰ সৃষ্টি কৰিছে।

সমগ্ৰ নলবাৰী জিলাক তিনিটা ভূ-

প্ৰাকৃতিক অনুকূলত ভাগ কৰিব পাৰি ঃ

(ক) উত্তৰৰ হিমালয়ৰ পাদদেশীয় অঞ্চল (ভাবৰ-তৰাই)

(খ) মধ্যভাগৰ সুগঠিত সমভূমি

(গ) দক্ষিণৰ চৰ অঞ্চলকে ধৰি বানপানী আৰ্দ্ৰ্যুষিত অঞ্চল।

মৃত্তিকা ঃ

নলবাৰী জিলাৰ মৃত্তিকা পাকৰা। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে কঢ়িয়াই অনা পলসেৰে গঠিত অঞ্চলটোৰ মৃত্তিকাত স্থানীয় ভূ-প্ৰকৃতি, জলবায়ু, উদ্ভিদ আদিৰ প্ৰভাৱত জিলাখনৰ মৃত্তিকা উত্তৰৰ পৰা দক্ষিণলৈ কিছু তাৰতম্য দেখিবলৈ পোৱা যায়। গুণাগুণৰ ওপৰত ভিত্তি কৰি তিনি প্ৰকাৰৰ মৃত্তিকা চিনাক্ত কৰা হৈছে —

(ক) ন-পলসুৱা মৃত্তিকা

(খ) পুৰণি পলসুৱা মৃত্তিকা

(গ) গিৰি পাদদেশীয় মৃত্তিকা

২.২: গাঁৱৰ ভৌগোলিক স্থিতি, সীমা আৰু মাটিকালি:

বাঁহজানী গাঁওখন নলবাৰী জিলাৰ সদৰৰ পৰা প্ৰায় ২/৩ কিলোমিটাৰ দূৰত্বত দক্ষিণ পশ্চিম দিশত অৱস্থিত। এই গাঁওখন সাতা গাঁও পঞ্চায়তৰ অন্তৰ্গত।

গাঁওখনৰ সীমা নিৰ্ধাৰণ কৰিলে পাওঁ — ইয়াৰে পূব দিশত বুড়ীকুছি, পশ্চিম দিশত গোসাইঘাট, উত্তৰ দিশত চান্দকুছি আৰু দক্ষিণত জাথা অৱস্থিত।

গাঁওখনৰ মুঠ মাটিকালি হৈছে প্ৰায় ১৪৯০ বিঘা, ১ কঠা ১৫ লেচা।

২.৩: গাঁৱৰ জনসংখ্যা:

২০১১ৰ লোকপিয়ল মতে, বাহজানী গাঁৱৰ মুঠ জনসংখ্যা হৈছে ১১৭৫ গৰাকী। ইয়াৰে পুৰুষৰ জনসংখ্যা ৫২৭ জন আৰু মহিলা জনসংখ্যা ৬৪৮ জনী।

২.৪: গাঁৱৰ জীৱিকা :

বাঁহজানী গাঁৱৰ প্ৰধান জীৱিকা হৈছে কৃষি। অধিসংখ্যক লোকে কৃষিকৰ্মৰ লগত জড়িত। ইয়াৰোপৰি চাকৰি, ব্যৱসায়ৰ লগত জড়িত লোকো গাঁওখনত আছে। জীৱিকা হৈছে মানুহৰ জীৱনৰ মূল চালিকা শক্তি। জীৱিকাৰ দ্বাৰাই মানুহে নিজৰ লগতে নিজৰ পৰিয়ালৰ ভৰণ-পোষণ দিয়ে। মুঠতে গাঁওখনৰ মানুহে সৰু-ডাঙৰ কৰ্ম যিয়েই নহওঁক কিয় সেই কৰ্ম কৰিয়ে জীৱন-নিৰ্বাহ কৰি আছিছে

২.৫. গাঁৱৰ ধৰ্ম :

ধৰ্মৰ লগত জড়িত হৈ থাকে পূজা-পাৰ্বন-বোৰ। গতিকে, ভিন্ ভিন্ ধৰ্মাৱলম্বীৰ মাজত ভিন্ ভিন্ ধৰ্মানুষ্ঠানৰ ব্যৱস্থা আছে। সেই অনুসৰি বাঁহজানী গাঁওখনতো শৈৱ, শাক্ত, বৈষ্ণৱ, ব্ৰাহ্মণ আদি ধৰ্মাৱলম্বীৰ লোক আছে। কিন্তু ধৰ্মবোৰ ভিন্ ভিন্ হ'লেও গাঁওখনৰ সকলো ৰাইজে মিলিজুলি একেলগে বাস কৰি আছিছে। তদুপৰি পূজা-পাৰ্বন বোৰৰ লগত লৌকিক আনন্দ-উৎসৱ সাথেৱৰ

থাই আছে। গতিকে, বহুক্ষেত্ৰত গাঁওখনৰ শাক্তৰ পূজা - পাৰ্বনত বৈষ্ণৱে যোগ দিয়ে; সেইদৰে বৈষ্ণৱৰ উৎসৱত শাক্ত সকলেও সহযোগ কৰে।

২.৬. গাঁৱৰ প্ৰসিদ্ধ স্থান :

বাঁহজানী গাঁৱৰ প্ৰসিদ্ধ স্থানসমূহৰ ভিতৰত গোপাল মন্দিৰ, শিৱমন্দিৰ, হনুমান মন্দিৰ আদি অন্যতম।

ক) গোপাল মন্দিৰ : বাঁহজানী গাঁৱৰ এই গোপাল মন্দিৰটো ১৮/১১/১৯৯৬ চনত স্থাপিত হৈছিল। এই মন্দিৰটোত পুৱা গধূলি ধূপ, চাকি জ্বলোৱা হয়। এই মন্দিৰটো প্ৰত্যেক বছৰে ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয় আৰু লগতে পালন কৰা হয় লক্ষ্মী পূজা। জন্মাষ্টমীৰ দিনাখন গাঁৱৰ আয়তীসকলে এই মন্দিৰত গধূলি নাম প্ৰসংগ কৰে।

কাতি মাহৰ পূৰ্ণিমা তিথিত ধন-সম্পদৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী দেৱীৰ উদ্দেশ্যে এই মন্দিৰত নিষ্ঠাসহকাৰে পূজা অৰ্চনা কৰা হয়। ঘৰে ঘৰে গধূলি সময়ত চাকি বন্তি জ্বলাই নৈবেদ্য আগবঢ়ায়।

তদুপৰি মন্দিৰত সপ্তাহীয়াভাৱে লক্ষ্মীপূজাৰ আয়োজন কৰে।

২) শিৱ মন্দিৰ : আমাৰ গাঁৱৰ এই শিৱ মন্দিৰটো 2021 চনত স্থাপন কৰা হৈছে। এই মন্দিৰটো স্থাপন কৰাৰ দিনৰে পৰা শিৱ পূজা পালন কৰা হৈছে। ইয়াত শিৱ পূজাৰ দিনাখন বহুতো ভক্তৰ সমাগম দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰিও এই মন্দিৰত শাওন মাহত হোম যজ্ঞ পালন কৰা দেখা যায়। শিৱৰাত্ৰি হিন্দু ধৰ্মাৱলম্বী লোক সকলৰ এক গুৰুত্বপূৰ্ণ প্ৰধান উৎসৱ।

৩) হনুমান মন্দিৰ : এই মন্দিৰটো এটা বৃহৎ শক্তিশালী মন্দিৰ। ইয়াত প্ৰত্যেক বছৰে বছৰে হনুমান জয়ন্তী উদযাপন কৰা হয়। এই হনুমান মন্দিৰত বিশেষকৈ মঙ্গলবাৰে অধিক ভক্তৰ সমাগম দেখিবলৈ পোৱা যায়। হনুমান জয়ন্তী উপলক্ষে নাগাৰা নাম পৰিৱেশন কৰা হয়।

# দ্বিতীয় অধ্যায়

## 3.00 : সংস্কৃতিৰ স্বৰূপ :

অসমীয়া তথা ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত ইংৰাজী 'কালচাৰ' অৰ্থাৎ Culture পদৰ সমাৰ্থক ৰূপে সংস্কৃতি পদটো ব্যৱহাৰ কৰা দেখা যায়। 'সংস্কৃতি' পদটো সংস্কাৰৰ লগত বিশেষভাৱে জড়িত। যাৰ সংস্কাৰ হৈছে সিয়ে সংস্কৃতি। কোনো কোনোৱে সেয়েহে ইংৰাজী Culture পদৰ পৰিভাষা ৰূপে 'কৃষ্টি' পদটোহে প্ৰয়োগ কৰে। কৰ্ষণৰ লগত কৃষ্টিৰ সম্পৰ্ক ওতঃপ্ৰোত আৰু কৃষ্টিক সংস্কাৰ কৰি ললেই সংস্কৃতিৰ জন্ম হয়। একেটা ক্ৰিয়াৰ বাৰম্বাৰ আচৰণ বা আবৃত্তিক কৰ্ষণ বা কৃষ্টি আখ্যা দিব পাৰি; আৰু এই কৃষ্টিক সংস্কাৰ কৰি লোৱাটোৰ নামেই সংস্কৃতি। কৃষিৰ বাবে পথাৰত হাল মেলা বা কোৰমৰা ক্ৰিয়াৰ নামেই কৃষ্টি আৰু তাৰ ফলস্বৰূপে পথাৰত শস্য উৎপন্ন হোৱাৰ বাবে উপযোগী যি সংস্কাৰ, ক্ষমতা বা যোগ্যতা সেয়ে সংস্কৃতি।

খ্ৰী: ১৮৬৫ চনত এডৱাৰ্ড টাইলাৰে সৰ্ব প্ৰথম ব্যৱহাৰ কৰা Culture পদটোৰ মূল হ'ল লেটিন ভাষাৰ 'কোল' ধাতুজাত Colere বা Cultura অৰ্থাৎ কুলতুৰা। Colere বা Cultura শব্দৰ অৰ্থ কৰ্ষণ কৰা অথবা খেতি কৰা। গতিকে সংস্কৃতি কৃষ্টি আৰু লেটিন Cultura-ৰ মাজত যে, অৰ্থৰ ফালৰ পৰা মিল আছে তাৰ সন্দেহ নাই। কালচাৰৰ প্ৰতিশব্দ ৰূপে বংগীয় পণ্ডিত যোগেন্দ্ৰ চন্দ্ৰ ৰায় বিদ্যানিধিয়ে 'কৃষ্টি' শব্দটো প্ৰয়োগ কৰিছিল। সুনীতি কুমাৰ চট্টোপাধ্যায় নামক মহাৰাষ্ট্ৰীয় বন্ধুৰ দ্বাৰা অনুপ্ৰাণিত হৈ 'সংস্কৃতি' শব্দটোৰ প্ৰতি বিশ্বকবি ৰবীন্দ্ৰ নাথৰ দৃষ্টি আকৰ্ষণ কৰে। ৰবীন্দ্ৰনাথৰ প্ৰচেষ্টাৰ জৰিয়তে সংস্কৃতি শব্দটি বঙলা ভাষাত গৃহীত হয়।

৩.১: সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজন ঃ

সমাজৰ অংগীভূত সদস্যৰূপে মানুহে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক কাৰ্যৰ সামগ্ৰিক ৰূপেই সংস্কৃতি। মানৱৰ দ্বাৰা সৃষ্ট কৃতিয়েই হৈছে সংস্কৃতি। ই মানৱ সমাজৰ এক অবিচ্ছেদ্য অংগ। 'সংস্কৃতি' পদটো সংস্কাৰৰ লগতে বিশেষভাৱে জড়িত।

সংস্কৃতি সম্পৰ্কে বিভিন্নজনে বিভিন্ন সংজ্ঞা আগবঢ়াইছে —

দাৰ্শনিক মেক্‌লভাৰৰ মতে মানৱৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই সংস্কৃতি।

দাৰ্শনিক ভেৰিভ বিদিৰ মতে কোনো এক ভৌগোলিক পৰিৱেশৰ মাজত মানৱ প্ৰকৃতিৰ উৎকৰ্ষ সাধনেই সংস্কৃতি।

এডৱাৰ্ড বাৰ্নেট টাইলাৰৰ মতে সংস্কৃতি হল সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন

নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপ।"

মেথিউ আৰ্নল্ড নামৰ পণ্ডিতজনৰ মতে, "মাধুৰ্য আৰু আলোকেই সংস্কৃতি।" সেই দৃষ্টিকোনৰ পৰা সংস্কৃতিক এক শোধন প্ৰক্ৰিয়া বুলি কব পাৰি। আচলতে প্ৰকৃতিৰ ঊৰ্দ্ধক্ৰম প্ৰক্ৰিয়াই হ'ল সংস্কৃতি।

বিষ্ণু প্ৰসাদ ৰাভাৰ মতে, "বাস্তৱ প্ৰয়োজনত যাৰ জনম মানুহৰ জীৱন সংগ্ৰামত যি শকতি, জীৱন যাত্ৰাৰ বাস্তৱ উদ্দেশ্য সিদ্ধিত যি সুকৃতি সেয়ে আচল কৃষ্টি, প্ৰকৃত সংস্কৃতি।"

জ্যোতি প্ৰসাদ আগৰৱালাৰ মতে, "সংস্কৃতি হৈছে সুন্দৰৰ পূজা।"

ওপৰত উল্লেখ কৰা সংস্কৃতি সম্পৰ্কীয় আটাইবোৰ সংজ্ঞাই সংস্কৃতি সম্পৰ্কে এটা স্পষ্ট ধাৰণা দিয়া দেখা গৈছে।

৩.৬: বিহুৰ গুৰুত্ব বা উৎসৱ-অনুষ্ঠানৰ গুৰুত্ব:
বিহু অসমৰ জাতীয় উৎসৱ। অসমৰ লগতে অসমৰ কোনো কোনো দাঁতি-কাষৰীয়া ৰাজ্যতো কোনো জাতি জনজাতিৰ লোকে বিহু বা ইয়াৰ সাদৃশ্যক উৎসৱ-অনুষ্ঠান পালন কৰা দেখা যায়। বিহু জাতি-বৰ্ণ নিৰ্বিশেষে পালন সকলো লোকে একেলগে উদযাপন কৰিব পৰা এক উৎসৱ। বিহু মূলত: এক কৃষি ভিত্তিক উৎসৱ। কৃষি উৎসৱ যাইকৈ তিনিটা খেতিৰ আৰম্ভণিৰ বেলিকা, খেতিৰ বাঢ়নী বতৰত আৰু খেতি চপোৱাৰ শেষত।

ইতিহাসে চুকি নোপোৱা কালৰে পৰা এই ভূ-খণ্ডত বিভিন্ন নৃগোষ্ঠীয় লোকে তেওঁলোকৰ উৎসৱ-অনুষ্ঠানসমূহ পালন কৰি আহিলেও সাম্প্ৰতিক সময়ত জাতি, বৰ্ণ, ধৰ্ম, নিৰ্বিশেষে অসমৰ মানুহে জাতীয় উৎসৱ বুলি আদৰি লোৱা উৎসৱটিয়েই হ'ল বিহু।

সংস্কৃতিৰ শ্ৰেণীবিভাজন ঃ
সংস্কৃতিক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে — (ক) অভিজাত সংস্কৃতি
(খ) লোক সংস্কৃতি
(গ) জনজাতীয় সংস্কৃতি

৩.২ : অভিজাত সংস্কৃতি ঃ অভিজাত সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ লোক সংস্কৃতিৰ পূৰ্বে হৈছিল নে পৰৱৰ্তীকালত হৈছিল সঠিকভাৱে কোৱা টান। ভাৰতবৰ্ষৰ প্ৰসংগত কব পাৰি যে, 2৫00 বছৰৰ পূৰ্বেই অভিজাত সংস্কৃতিৰ উদ্ভৱ হৈছে। অভিজাত বা শিষ্ট সংস্কৃতি অধিক ৰীতিবদ্ধ, সুনিৰ্দিষ্ট আত্মসচেতন। অভিজাত বা শিষ্ট সংস্কৃতিক শাস্ত্ৰীয় বা বৈদিকী (Sanskritic) বা মাৰ্গী বা মাৰ্গীয় সংস্কৃতিও বুলিব পাৰি। ভাৰতবৰ্ষৰ প্ৰসংগত কব পাৰি যে, শাস্ত্ৰীয় বা অভিজাত সংস্কৃতি সময়ৰ সোঁতত পৰিবৰ্তনৰ সন্মুখীন হবলগীয়া হৈছে যদিও ইয়াৰ অবিচ্ছেদ্যতা অব্যাহত গতিত প্ৰবহমান হৈয়ে আছে। আলোচক পণ্ডিতসকলে অভিজাত সংস্কৃতিক বুজাবলৈ শিষ্ট সংস্কৃতি বা মাৰ্গী বা মাৰ্গীয় সংস্কৃতি বা পৰিশীলিত সংস্কৃতি

ইত্যাদি অভিধা প্ৰয়োগ কৰা দেখা যায়। অভিজাত সংস্কৃতিৰ সৃষ্টি আৰু বিকাশ লোক-সংস্কৃতিৰ সৰ্বসন্মত সিদ্ধান্তত উপনীত হ'ব পৰা নাই। আলোচক সমাজ বিজ্ঞানীসকলে অভিজাত সংস্কৃতিৰ "গ্ৰেট ট্ৰেডিশ্যন" (Great tradition) আখ্যা দিছে।

৩.৩ :— **লোকসংস্কৃতি :** ইংৰাজী Folk Culture শব্দৰ আক্ষৰিক অৰ্থ হিচাপে অসমীয়াত লোক-সংস্কৃতি শব্দটো ব্যৱহাৰ কৰা হয়। অন্যহাতে Folklore ক সূচাবৰ বাবে লোক সংস্কৃতি পদটো ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। Folk ৰ অৰ্থ লোক বা জন, lore ৰ অৰ্থ বিদ্যা, lore পদে সংস্কৃতিক সূচায় বুলি স্পষ্টভাৱে কোৱা টান। এই ফালৰ পৰা Folklore ক বুজাবৰ বাবে লোকবিদ্যা পদটো প্ৰয়োগ কৰাহে অধিক সমীচীন যেন লাগে।

লোক সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশৰ পটভূমি সাধাৰনতে লোক সমাজ অৰ্থাৎ Folk Society। নগৰ পত্তনৰ পূৰ্বে বৰ্তমান থকা

সমাজক লোক সমাজ আখ্যা দিব পাৰি। কৃষক সমাজক লোকসমাজ আখ্যা দিয়াৰ অনুকূলে মত পোষণ কৰিছে ৰবাৰ্ট ৰেডফিল্ডএ। এই কৃষক সমাজৰ সংস্কৃতিয়েই হ'ল লোক সংস্কৃতি। ই স্বতন্ত্ৰ নহয়, সভ্যতাৰ এটা ফাল বা দিশহে।

'লোক'ৰ Folk সূত্ৰ দিবলৈ গৈ খ্ৰীষ্টীয় ঊনবিংশ শতিকাৰ কোনো কোনো পণ্ডিতে কৈছে: 'কৃষক, নিৰক্ষৰ, গ্ৰাম্য আৰু সমাজৰ নিম্নস্তৰৰ লোক আখ্যা দিব পাৰি। ইয়াৰ বিপৰীতে সভ্য বা অভিজাত, সাক্ষৰ, নগৰীয়া আৰু উচ্চস্তৰৰ শিষ্ট বোলে। স্বৰূপাৰ্থত ন্যূনতম উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিক লোক বা Folk বুলিব পাৰি। এই ন্যূনতম উপাদানটো যিয়েই নহওঁক লাগে তাত কথা নাই, কেৱল ই সেই জনসমষ্টিৰ মাজত সংযোগ ৰক্ষা কৰিবলৈ সক্ষম হ'ব লাগিব।

লোক সংস্কৃতি বা লোকবিদ্যাই সামৰি লোৱা বিষয়সমূহ হ'ল — লোকবিশ্বাস, প্ৰবাদ, সাথৰ, মন্ত্ৰ, আশীৰ্বাদ, অভিশাপ, গালি গালাজ,

শপত, উপাখ্যান, লোকনৃত্য, বেশ-ভূষা, বাজহুৱা ঘৰ বা ৰাজহুৱা পায়খানা, স্নানাগাৰ আদিৰ বেৰ লেখা, পৰম্পৰাগত, অৰ্থহীন কবিতা, অঙ্গী-ভঙ্গী, নিচুকনি গীত, লোক ব্যুৎপত্তি, ব্ৰত উপবাস বন্ধন-প্ৰণালী, সাধুকথা, আবৃত্তি, নিচুকনি গীত, মুদ্ৰা, প্ৰাৰ্থনা, খামি খাঁচি আদিৰ ওপৰত কৰা পৰম্পৰাগত মন্তব্য, উৎসৱ-অনুষ্ঠান, দৃশ্য শ্ৰব্য কলা ৰীতি, লোকধৰ্ম ইত্যাদি। ইয়াৰ বাহিৰেও লোক সংস্কৃতিৰ চাৰিসীমাৰ ভিতৰত সামৰিব পৰা আৰু অনেক বিষয় আছে। ওপৰত উল্লিখিত বিষয় আৰু এইবোৰৰ পদ্ধতিগত অনুশীলন আৰু অধ্যয়নক লোকবিদ্যা বা লোকসংস্কৃতি বোলে। লোকবিদ্যাৰ অংগীভূত বিষয়বস্তু আৰু এইবোৰৰ অধ্যয়ন অনুশীলনৰ মাজত দেখা দিব পৰা খেলিমেলি দূৰ কৰিবলৈ লোকবিদ্যাৰ বিভিন্ন শ্ৰেণী আৰু ইয়াৰ অধ্যয়ন - এই দুয়োটাকে বুজাবৰ বাবে ক্ৰমে লোকবিদ্যা আৰু লোকবিদ্য - বিজ্ঞান বা লোক সংস্কৃতি বিজ্ঞান পৰিভাষা দুটা প্ৰয়োগ কৰা উচিত।

লোক সংস্কৃতিয়ে সমন্বয়ৰ সোঁতত গতি সলায়। কেতিয়াবা শিক্ষা, ধৰ্ম, ৰাজনৈতিক শক্তি, নাগৰিকীকৰণ, উদ্যোগৰ সম্প্ৰসাৰণ আৰু সমন্বয়ে লোক -সংস্কৃতিৰ বিৱৰ্তন আনিব পাৰে। অসমৰ লোক - সংস্কৃতিৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। লোক - সংস্কৃতি কেৱল আদিম যুগ আৰু সংস্কৃতিৰ বিচাৰতে সীমাবদ্ধ নহয়। বৰ্ত্তমানৰ লোক-সংস্কৃতি-বিদসকলে বস্তুৰ ব্যৱহাৰিক দৃষ্টিৰে লোক সংস্কৃতিৰ মূল্যায়ন কৰে। শংকৰদেৱৰ পৰা আৰম্ভ কৰি বৰ্ত্তমানলৈকে সাহিত্যিক সকলে তেওঁলোকৰ অমূল্য ৰচনাৰাজিত লোক - সংস্কৃতিৰ প্ৰতিফলন ঘটাইছে আৰু এইদৰে বিবৰ্ত্তনৰ পথত ই গতি কৰিছে।

"The New Encyclopaedia Britancia" ত লোক- সংস্কৃতিক তিনিটা ভাগত ভাগ কৰিছে:

(১) মৌখিক সাহিত্য (সাধু, প্ৰবচন, বিশ্বাস-অন্ধবিশ্বাস সম্পৰ্কীয় জন -কবিতাবোৰ)

(২) দেশাচাৰ আৰু উৎসৱ - পাৰ্বণ (উৎসৱ - পাৰ্বণ, লোক খেল - ধেমালি ইত্যাদি)

(৩) শৈল্পিক কৰ্ম (লোককলা, লোকশিল্প, ঘৰ- দুৱাৰ আদি নিৰ্মাণ)

৩.৪ ঃ জনজাতীয় সংস্কৃতি ঃ

সাধাৰণতে সুকীয়া ভৌগোলিক অঞ্চলত বাস কৰা সুকীয়া ভাষা, সংস্কৃতি সম্পন্ন, সুকীয়া অৰ্থনৈতিক চিন্তাৰ দ্বাৰা প্ৰভাৱিত জনগোষ্ঠী একোটাক জনজাতি বোলা হয়। অসমৰ বেলিকা ৰাভা, বড়ো, কাৰবি, মিচিং, তিৱাছা ইত্যাদি জনগোষ্ঠী সমূহে হৈছে জনজাতি। প্ৰত্যেকটো জনজাতিৰে নিজস্ব সাংস্কৃতিক পৰিচয় আছে। সেইদৰে জনজাতি গোষ্ঠী ভুক্ত হ'লেও পৰস্পৰৰ লগত প্ৰত্যেকটো জনজাতিৰে বৈসাদৃশ্য মন কৰিবলগীয়া। প্ৰত্যেক জনজাতিৰে একোটা স্বয়ং সম্পূৰ্ণ সাংস্কৃতিক পৰিচয় আছে। সেই পৰিচয় ৰাভা, কাৰবি, মিচিং, বড়ো আদি জনজাতিক একোটা সুকীয়া সংস্কৃতিযুক্ত জনজাতি হিচাপে চিহ্নিত কৰিছে। অৱশ্যে জনজাতীয় সংস্কৃতিৰো পৰিবৰ্তন নোহোৱাকৈ নাথাকে। কেতিয়াবা এইটোও দেখা যায় যে জনজাতীয় সংস্কৃতিয়ে অভিজাত সংস্কৃতিৰ প্ৰভাৱত পৰিবৰ্তিত ৰূপ লাভ কৰে।

লোক-সংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ মাজত পাৰ্থক্য বিদ্যমান। জনজাতীয় সংস্কৃতি স্বয়ং সম্পূৰ্ণ। আনহাতে লোক সংস্কৃতি স্বৰূপাৰ্থত সংস্কৃতিৰ উপসংযুক্তিহে। জনজাতীয় সংস্কৃতি কম বেছি পৰিমানে অক্ষত হৈ থাকে। কোনো জনজাতীয় সংস্কৃতি যদি লোক বা অভিজাত সংস্কৃতিৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হয় তেন্তে তাক প্ৰকৃতাৰ্থত জনজাতীয় সংস্কৃতি বুলিব নোৱাৰি। জনজাতীয় সংস্কৃতিৰ দ্বাৰা যে লোক সংস্কৃতি অথবা শিষ্ট সংস্কৃতি প্ৰভাৱান্বিত হ'ব নোৱাৰে তেনে কোনো ধৰা বন্ধা নিয়ম নাই। অসমৰ সংস্কৃতিৰ প্ৰসংগত ইয়াৰ সুন্দৰ নিদৰ্শন পোৱা যায়।

অসম বিভিন্ন জনগোষ্ঠীৰ বাসভূমি। অতি প্ৰাচীন কালতে বিভিন্ন ঠাইৰ জনগোষ্ঠী কিছুমান কৃষিৰ উপযোগী ভূমি বিচাৰি বিভিন্ন ঠাই পৰিভ্ৰমন কৰি আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাৰুৱা অঞ্চলত উপস্থিত হয়। এনেদৰেই বিভিন্ন সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত বহু জনগোষ্ঠীৰ সমাবেশ ঘটিছিল আৰু এই বহু জনগোষ্ঠীৰ

মিলন সংমিশ্রণৰ ফলতেই বৃহৎ অসমীয়া জাতিৰ সৃষ্টি হৈছিল। গাৰ বৰণ আকৃতিক বৈশিষ্ট্যৰ ভেটিত পৃথিৱীৰ মানুহক চাৰিটা প্ৰধান নৃ- গোষ্ঠীত বিভক্তি কৰা হৈছে। সেয়া হৈছে - ককেচীয়, মংগোলীয়, নেগ্ৰিটো বা নিগ্ৰো আৰু অষ্ট্ৰেলীয়।

# তৃতীয় অধ্যায়

## ৪.০০ ঃ লোকাচাৰ ঃ

সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰ বা বিভিন্ন দিশৰ ভিতৰত লোকাচাৰ সমূহে তাৎপৰ্যপূৰ্ন ভূমিকা গ্ৰহন কৰি আহিছে। ইয়ে সংস্কৃতিৰ আদৰ্শগত আৰু ধৰ্মীয় দিশটোৰ পৰিচয় দিয়ে। লোকাচাৰ সমূহ সমাজৰ সকলো শ্ৰেনীৰ মানুহৰ মাজতে প্ৰচলিত। হিন্দু, মুছলমান, খ্ৰীষ্টান তথা বিভিন্ন জাতি- জনজাতিৰ মাজত এই আচাৰ অনুষ্ঠানসমূহ পালিত হয়। সেইফালৰ পৰা লোকাচাৰ সমূহক হিন্দু আচাৰ অনুষ্ঠান, ইছলামীয় আচাৰ - অনুষ্ঠান, খ্ৰীষ্টানীয় আচাৰ অনুষ্ঠান আৰু বিভিন্ন জনগোষ্ঠীয় আচাৰ অনুষ্ঠান ইত্যাদি ধৰনে শ্ৰেনীবিভাগ কৰে। লোকাচাৰে অসমৰ লোক সংস্কৃতিৰ ভেটি আহল বহল আৰু সুদৃঢ় কৰি ৰাখিছে

## ৪.০০ ঃ লোকাচাৰ ঃ

সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰ বা বিভিন্ন দিশৰ ভিতৰত লোকাচাৰ সমূহে তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহন কৰি আহিছে। ইয়ে সংস্কৃতিৰ আদৰ্শগত আৰু ধৰ্মীয় দিশটোৰ পৰিচয় দিয়ে। লোকাচাৰ সমূহ সমাজৰ সকলো শ্ৰেনীৰ মানুহৰ মাজতে প্ৰচলিত। হিন্দু, মুছলমান, খ্ৰীষ্টান তথা বিভিন্ন জাতি-জনজাতিৰ মাজত এই আচাৰ অনুষ্ঠানসমূহ পালিত হয়। সেইফালৰ পৰা লোকাচাৰ সমূহক হিন্দু আচাৰ অনুষ্ঠান, ইছলামীয় আচাৰ-অনুষ্ঠান, খ্ৰীষ্টানীয় আচাৰ অনুষ্ঠান আৰু বিভিন্ন জনগোষ্ঠীয় আচাৰ অনুষ্ঠান ইত্যাদি ধৰনে শ্ৰেনীবিভাগ কৰে। লোকাচাৰে অসমৰ লোক সংস্কৃতিৰ ভেটি আহল বহল আৰু সুদৃঢ় কৰি ৰাখিছে

## ৪.১ঃ লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ ঃ

কোনো অঞ্চল বা সমাজত প্ৰচলিত আচাৰ-অনুষ্ঠান, ৰীতি- নীতি, বিভিন্ন ক্ৰিয়া কলাপ আদিক সামাজিক লোকাচাৰ বোলা হয়। লোকাচাৰ সমূহৰ সৃষ্টিৰ উৎস হ'ল লোকবিশ্বাস। উৎসৱ - অনুষ্ঠান, খেল - ধেমালি, লোক ঔষধ আৰু লোকধৰ্মই লোকাচাৰৰ ভেটি সুদৃঢ় কৰি তোলে। লোক - সংস্কৃতিত সামাজিক লোক-প্ৰথা, ধৰ্ম-বিশ্বাস আচাৰ আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰা যায়। সমাজ আৰু পৰিয়ালৰ মাজত জন্ম, বিবাহ, মৃত্যু, কৃষি আদি সংক্ৰান্তীয় বিভিন্ন ৰীতি-নীতি, আচাৰ-পদ্ধতি গঢ় লৈ উঠে। এই সকলোবোৰ লোক-সংস্কৃতিৰ এটা সুকীয়া শ্ৰেণীৰ জন্ম দিছে। ইয়াক লোকপ্ৰথা বা লোকাচাৰ আখ্যা দিয়া হৈছে।

লোকাচাৰ সাধাৰণতে শাস্ত্ৰবিশেষৰ অনুশাসনৰ যোগেদি জাপি দিয়া বস্তু নহয়,

কোনো ৰাজ্যৰ জনসাধাৰণে চিৰকাল বিশেষকৈ পৰম্পৰাগতভাৱে পালন কৰি অহা ই আচাৰ-নীতি আৰু ক্ৰিয়াকলাপ, ইয়াৰ মাজেদি জনগণৰ ধৰ্মীয়, আধ্যাত্মিক, সামাজিক আদি দিশত লাভ কৰা উৎকৰ্ষ অপকৰ্ষৰ প্ৰমাণ পোৱা যায়। ৰাজ্যৰ প্ৰাকৃতিক ভৌগোলিক প্ৰভাৱ আৰু ধৰ্মীয় পৰম্পৰায়ো অধিবাসী সকলৰ আচাৰ-নীতিৰ সৃষ্টি কৰাত কিছু সহায়তা নকৰাকৈ নাথাকে। এনে ধৰণৰ বিভিন্ন লোকাচাৰে অসমৰ লোক সংস্কৃতিৰ ভেটি আহল বহল আৰু সুদৃঢ় কৰি ৰাখিছে।

**৪.২ : লোকচাৰৰ সৈতে আৰ্থ সামাজিক, আৰু সামাজিক সম্পৰ্ক :** মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰম্পৰাগত জীৱন। পাৰম্পৰাগত জীৱন, মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজৰ সংযোগ সেতু। পৰম্পৰাগত জীৱনক এক প্ৰকাৰে সামাজিক লোকাচাৰ আখ্যা দিব পাৰি। লোকাচাৰৰ অনুষংগত ব্যক্তিগত অন্যান্য ক্ৰিয়াত্মক সমাজগত অন্যান্য ক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হয়। সমাজ আৰু পৰিয়ালৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি-নীতি আদি পৰম্পৰাগত জীৱনৰ পৰিসীমাত সামৰিব পাৰি।

ৰাজহুৱা উদ্‌যাপন আৰু আমোদ-প্ৰমোদত সমাজৰ অধিকাংশ লোক প্ৰথাৰ জন্ম হৈছে। সামাজিক লোক প্ৰথাৰ ধৰ্মীয় দিশটো উপাসনা-পদ্ধতিৰ গতি নিৰ্ণায়ক। নানা ধৰণৰ পূজা-উপাসনা আদি লোক প্ৰথা বা লোকাচাৰৰ অংগীভূত।

লোকাচাৰৰ লগত লোকগীত, মিথ, জনশ্ৰুতি, সাধুকথা, মন্ত্ৰ আদি লোক সাহিত্যৰ সমল সদা-সৰ্বদাই সম্পৃক্ত। পৰম্পৰাগত পোছাক-পৰিচ্ছেদ, অলংকাৰপাতি, বাদ্য-যন্ত্ৰ, নানাবিধ শিল্প বস্তু, খোৱা-লোৱা, ঘৰ-দুৱাৰ নিৰ্মাণ কৰা আদি ভৌতিক সংস্কৃতিৰ সমল লোকাচাৰৰ লগত নিয়তভাৱে জড়িত হৈ থাকে। তেনদৰে গীত-নৃত্য, লোক নাটক আদি লোক পৰিবেশ্য কলাৰ সমল লোকাচাৰৰ সৈতে জড়িত হৈ থকা দেখা যায়।

সামাজিক লোকাচাৰ বা লোক ৰীতি-নীতিক চাৰিটা উপভাগত ভাগ কৰিব পাৰি। যেনে:

(i) উৎসৱ-অনুষ্ঠান,

(ii) অৱসৰ-বিনোদন আৰু খেল ধেমালি,

[illegible]-ঔষধ, আৰু

লোকধৰ্ম।

# চতুর্থ অধ্যায়

## ৩.০০ : ৰঙালী বিহুৰ লোকাচাৰ :

অসমীয়া জাতীয় জীৱনক আন্দোলিত কৰি তোলা মূল সাংস্কৃতিক সম্পদটি হৈছে বিহু। কাৰণ বিহুত আছে অসমীয়া জাতীৰ সমূহীয়া প্ৰাণৰ বতৰা, হিয়াৰ ভোগজৰা আৰু আছে জাতিটোৰ জীয়াই থকাৰ বৃহৎ প্ৰতিশ্ৰুতি। অসমৰ পৰ্বত পাহাৰ, জাতি-উপজাতিৰ সমন্বয়ৰ অৰ্ঘ্য বিহুৱেই অসমীয়া জাতিৰ মান আৰু অসমৰ প্ৰাণ।

বিহু শব্দৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলে বিভিন্ন মত দাঙি ধৰিছে। কোনোৰ মতে সংস্কৃত 'বিষুৱন' শব্দৰ পৰা 'বিহু' শব্দৰ উৎপত্তি হৈছে। বৈদিক যুগত 'বিষুবন' নামেৰে এটা বিশেষ দিনত কৃষিৰ কল্যানৰ বাবে সূৰ্য দেৱতাৰ নামত যাগ-যজ্ঞ কৰা হৈছিল। আনহাতে, বিষুৱ সংক্ৰান্তিত বিহু উদযাপিত হয় বাবে 'বিষুব' শব্দৰ পৰাই 'বিহু' শব্দৰ উৎপত্তি হোৱা বুলিও গৱেষকসকলে মত পোষণ কৰে। কৃষি উৎসৱ বিহু যাইকৈ তিনিটা। ৰঙালী বিহু, কাতি বিহু আৰু মাঘ বিহু।

ব'হাগ বিহু কৃষি আৰম্ভণিৰ উৎসৱ।
আমাৰ অসমৰ জাতীয় সংস্কৃতি তথা বাপতি সাহোন ব'হাগ বিহুটিও জাতীয় উৎসৱ তথা অসমীয়া সংস্কৃতিৰ প্ৰতীক। এই বিহুত সাংস্কৃতিক দৰ্শনৰ প্ৰতিফলন ঘটিছে ইয়াৰ সতে জড়িত ভিন ভিন পৰম্পৰাত। ব'হাগ বিহুৰ লগত অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ যেনে - চহা জীৱনৰ লোকাচাৰ, লোকবিশ্বাস, লোক পৰম্পৰা, কৃষিপদ্ধতি, আলহী সোধা-পোছা, খাদ্য সম্ভাৰ, মৰম স্নেহ, সামাজিক ৰীতি-নীতি, শিল্পকলা, সাজপাৰ, নৃত্যগীত, বাদ্যযন্ত্ৰ, খেল-ধেমালি, চৰাই-চিৰিকটি, গছ-লতিকাৰ কথা স্বত:স্ফুৰ্তভাৱে প্ৰকাশ হৈ আছিছে।

বসন্তৰ আগমনৰ লগে লগে যেন প্ৰকৃতিয়েও সেউজীয়া ৰূপত ফলে-ফুলে জাতিষ্কাৰ হয়। বসন্তৰ আগমনত গছ-গছনিৰ উলাহৰ লগে লগে বনৰ জীৱ-জন্তুয়ো বোধহয় মানুহৰ দৰেই আনন্দত নিমজ্জিত হয়। ব'হাগ বিহু সাধাৰণতে চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হৈ

বছৰৰ চুয় দিনৰ মুঠ সাতদিন পালন কৰা হয়। প্ৰত্যেক দিনৰে একোটাকৈ সুকীয়া সুকীয়া নাম আছে সেয়া হ'ল— ১) গৰু বিহু, ২) মানুহ বিহু, ৩) গোসাঁই বিহু, ৪) তাঁতৰ বিহু, ৫) নাঙলৰ বিহু, ৬) জীয়ৰী বিহু বা চেনেহী বিহু, ৭) চেৰা বিহু। এই সাতটা বিহুক 'সাতবিহু' নামেৰে জনা যায়।

## ৫.১: গৰু বিহু :

চ'ত মাহৰ সংক্ৰান্তিৰ দিনা গৰু বিহু পালন কৰা হয়। গৰু বিহুৰ দিনাই সকলো অসমীয়াই গৰুক ৰাতিপুৱাই আনন্দ পূৰ্বকভাৱে তেল - মাহ - হালধিৰে নোৱাই ওচৰৰ নদী, জান-জুৰি, পুখুৰী আদিত গা - ধুৱাই 'চাট মাৰি'ত (লাও, বেঙেনা, হালধি আদিৰ চকলবোৰ গাঁথি লোৱা বাঁহৰ তিনি সলপীয়া শলা - কাঠি) নিৰ্দিষ্ট কৰি ৰখা লাও, বেঙেনা, হালধিৰ চকল গাৰ্লে দলিয়াই গায় —

'লাও খা, বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু
বাপেৰ সৰু
তইঁত হ'বি হব গৰু ॥'

গৰু বিহুৰ দিনা গৰু খেদাবলৈ বুলি গোঁহালিত ধোঁৱা দিবলৈ হাতীশুৰা, আগৰা, বিহলঙনি আৰু বেহু আদি ব্যৱহাৰ কৰা হয়। আকৌ 'চাট মাৰিত বৈ যোৱা লাও, বেঙেনা, থেকেৰাৰ চকল কিচু চাট মাৰিডালৰ সৈতে আনি গোহালিৰ বেৰত বা চালত গুজি থৈ দিয়া হয় কাৰণ, অসমীয়া সমাজৰ বিশ্বাস অনেদৰে থৈ দিলে বছৰটোত গৃহস্থৰ গোহালিৰ গৰুৰ কোনো বেমাৰ-আজাৰ নহয়। ইয়ালে বিহুৰ দিনকেইটাত গৰুক বাঁহৰ ওচাৰিৰে কোবাবলৈ নেপায়। সেয়েহে অসমীয়া লোক বিশ্বাসৰ পৰম্পৰা মতে গৰুক মূল বিহুৰ দিনকেইটোত দীঘলতি আৰু মাখিয়তী গছৰ চাৰিৰেহে কোবোৱা হয়। লগতে দীঘলতি আৰু

মাখিয়তী গছৰ জল - পাতেৰে গৰুক কোবাই খেদা হয় —

"দীঘলতি দীঘল পাত,

মাখি মাৰো জাত জাত" — যাতে গৰুৰ গাৰ পৰা মাখি, মহ, দাহ আদিবোৰ আঁতৰি যায়। ইয়াৰ পিছত ভক্তি পূৰ্বকভাৱে ঘৰৰ গৃহস্থই সোণ, ৰূপ, দুবৰি আৰু তুলসীৰ সংমিশ্ৰিত পবিত্ৰ পানীৰে গৰুক ভৰি ধুৱাই দি গৰু তেল ঘহি দি নতুন পঘাৰে বান্ধি বিচনিৰে বিচি লাও, পিঠা আদি খুৱাই সেৱা, ভক্তি কৰি গো - দেৱতাক যথোচিত সন্মান কৰে।

## ৩.২ : মানুহ বিহু ঃ

গৰু বিহুৰ পিছদিনা অৰ্থাৎ বহাগ মাহৰ প্ৰথম দিনা আৰম্ভ হয় বৰ বিহু বা মানুহ বিহু। এই বিহুৰ দিনা ঘৰৰ জীয়ৰী-বোৱাৰীহঁতৰ গাত যেন তৎ নাই। সকলোকে দোকমোকালিতে উঠি চোতাল-ঘৰ মচি-কাচি, ডলা-কুলা-চালনী লগতে ঘৰৰ পীৰা, চকী, মেজ ধুই মচি পৰিষ্কাৰ কৰি লয়। ইফালে ঘৰৰ সকলোৱে ৰাতিপুৱা গাত মাহ-হালধি সানি গা-মূৰ ধুই পবিত্ৰ মন লৈ নতুন বস্ত্ৰ পৰিধান কৰে। ইয়াৰ পাছত আই বা মাতৃয়ে ঘৰৰ সকলোকে চিৰতা, কাহ্‌কা প্ৰভৃতি তিতাৰ ৰস খুৱায় যাতে বছৰটোৰ মাজে কাকোৱে শৌচ-বমি-পিত্ত আদিৰ বেমাৰ নহয়। এই বিহুৰ দিনা পৰস্পৰে পৰস্পৰক মৰম চেনেহেৰে আঁকোৱালি লয়, সৰুৱে বৰজনাক সেৱা জনায় আৰু বৰজনায়ো সকলোকে কুশল-মঙ্গলৰ আশীৰ্বাদ দিয়ে, লগতে ঘৰৰ সকলোকে জীয়ৰী-বোৱাৰীহঁতে মাহচেৰেক আগৰ পৰাই

ঘৰঘৰ দীঘ আৰু চেনেহৰ বানী দি প্ৰস্তুত কৰা
অসমীয়া সংস্কৃতিৰ জীৱন প্ৰকাশক গামোচা
অৰ্থাৎ বিহুৱান দি জীৱনৰ ছন্দ উপলব্ধি কৰে।
ইফালে দিনটোত আলহী অতিথিৰ ভিৰ। সকলোৱে
ঘৰৰ গৃহস্থই মৰম আন্তৰিকতাৰে বিধ বিধ
বিহুৰ পিঠা-পনা, লাড়ু, দৈ-চিৰা, গুৰ আপ্যায়ন
কৰে। ইয়াৰ উপৰিও গুৰু গুৰু স্থানীয় ব্যক্তিক
বিহুৱান দি সেৱা-সন্মান কৰে।

৩.৩ : ৰঙালী বিহুৰ লগত গছ-লতিকাৰ সম্পৰ্ক : বসন্ত কালত হোৱা এই ৰঙালী বিহুটিৰ লগত জেতুকা পাতৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। এই বিহুৰ সময়ত নাচনীৰ লগতে ঘৰৰ প্ৰত্যেকগৰাকী জীয়াৰী বোৱাৰীয়ে দুহাত জেতুকাৰ ৰঙেৰে ৰঙীন কৰি তোলে। এই জেতুকা লোৱাৰ প্ৰথা অতীজৰে পৰা অসমীয়া সমাজত চলি আহিছে। প্ৰকৃততে ৰঙালী বিহুত অৰ্থাৎ বসন্ত কালত জেতুকা লগালে বসন্ত ৰোগৰ লগতে আন কিছুমান ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰি বুলি লোকবিশ্বাস চলি আহিছে। কিয়নো জেতুকা এবিধ ঔষধি গুণসম্পন্ন গছ। গাভৰু বা নাচনীয়ে দুহাতত জেতুকা বুলাই মুগাৰ সাজ পৰিধান কৰি ডিঙিত জোনবিৰি, গেলবিৰি, হাতত গামখাৰু খোপাত কপৌফুল আৰু গামোচা আৰু কানত কেৰুমনি থুৰীয়া পৰিধান কৰি ঢুলীয়া বা ডেকাসকলৰ লগত গৃহস্থৰ ঘৰে ঘৰে আৰু আঁহতৰ তলত বিহু মাৰিবলৈ

যায়। ঢুলীয়াসকলেও ধুতি পৰিধান কৰে, সুৰত গামোছা বান্ধে, কঁকালত টঙালি মেৰিয়াই লয় আৰু ঢোল, পেঁপা, বাঁহী, তাল, সুতুলি ইত্যাদি বাদ্যযন্ত্ৰ বজায়।

অসমৰ গ্ৰাম্য সমাজত বিহুৰ "সাততিতা আৰু "সাতশাক" খোৱা অন্য এক পৰম্পৰা আজিও বৰ্তি আছে। সাততিতাৰ ভিতৰত হেলচী শাক আৰু দোৰোণ শাক এবিধ বনৌষধি শাক। হেলচি শাক কৃমিনাশক, ৰুচিকাৰক আৰু কোষ্ঠকাঠিন্য নিবাৰকৰূপে ব্যৱহাৰ হয়। সাততিতাত ব্যৱহাৰ কৰা 'দোৰোণ শাক' পুষ্টিদায়ক উপাদানেৰে সমৃদ্ধ। দোৰোণ শাক বিষনাশক আৰু ৰুচিকাৰক। এই দুয়োবিধ শাকেই তেজত কলেষ্টেৰলৰ মাত্ৰা কমাব পাৰে।

সাতবিহুৰ ভিতৰত এশ এবিধ শাকেৰে আঞ্জা খোৱা নিয়মো আছে। আদা, আলুগুটি, বঙালাউ, সৰিয়হ, নৰসিংহ, অমিতা, অশোক ফুল, অমৰা, লাইশাক, শেৱালি ফুল, ঢেকীয়া, ওলকচু, ওলকবি, কেঁহেৰাজ, কলমৌ, কৰ্দৈ,

চজিনা, জালুক, ভেদাইলতা, লফা শাক, দুপৰ টেঙা, ব্ৰাহ্মী শাক, মচন্দৰী, মানিমুনি, বকফুল ইত্যাদি। এই শাক পাচলিবোৰ অসমৰ পথাৰে-সমাৰে, হাবিয়ে বননিয়ে পায়। এনেধৰনৰ ১০১ বিধ শাক-পাচলি সিজাই এখন আঞ্জা হিচাপে খালে গোটেই বর্ষ বহুবিধ ৰোগ-ব্যাধিৰ পৰা হাত সাৰি থাকিব পাৰি বুলি অসমৰ মানুহে দৃঢ় বিশ্বাস কৰে। বিহুগীততো শাক-পাচলিৰ কথা উল্লেখ আছে এনেদৰে —

'খেৰজু খেকেৰা পানিয়ল লেতেৰা
কৰদৈ নাখাবা শাকত।'

'নল টেঙা টেঁকীয়া নাৰ মাচ সুতুৰা
দাঁতত তেল লগাই খাবা,
গধূলিৰ পৰা দুৱাৰ মেলি থম
বিড়ালী যোবাদি যাব।'

## ৩.৪ : বহাগ বিহু সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ :

মানুহৰ ধ্যান-ধাৰণা, কৰ্ম আৰু সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ লগে লগে বিহু উৎসৱৰো পৰিবৰ্তন ঘটিল। যুগৰ পৰিবৰ্তনৰ লগে লগে অতীতৰ গছ-তল, মুকলি পথাৰৰ বিহু মঞ্চবিহুলৈ পৰ্যবসিত হ'ল। আৰম্ভ হ'ল বিহু সন্মিলন, মঞ্চভিত্তিক বিহুতলী, আনুষ্ঠানিক বিহু উৎসৱ। কুৰি শতিকাৰ চল্লিশৰ দশকত ৰাধাগোবিন্দ বৰুৱাৰ প্ৰযত্নত গুৱাহাটীত আনুষ্ঠানিক বিহু সন্মিলন অনুষ্ঠিত হোৱাৰ পিছৰে পৰা অসমত বিশেষকৈ নামনি অসমত বিহু সন্মিলন, মঞ্চবিহুৰ প্ৰচলন দ্ৰুত গতিত বৃদ্ধি পালে।"

সাম্প্ৰতিক কালত বিহু উৎসৱ বিহু সন্মিলন, মঞ্চবিহু, নগৰে-চহৰে, গাঁৱে-ভূঁঞে আনকি ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠান আদিতো পালিত হোৱা বছৰেকীয়া অনুষ্ঠানত পৰিণত হৈছে। এই আনুষ্ঠানিক বিহু উৎসৱত পূৰ্বৰ

খেলা-ধূলা, সাংস্কৃতিক চৰ্চা আদি নাইকিয়া হৈ গৈ ঠাই অধিকাৰ কৰি লৈছে মাখোন শিল্পী সমাৰোহ, বিহু কুঁৱৰী, বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতা সমূহে।

'বিহুনাচৰ ৰূপ সৌন্দৰ্যত আঘাত হানিছে টিভিৰ পদাত হোৱা বাবৰ বৰ বিহুতলীবোৰত হোৱা সম্ৰাজ্ঞী, ৰাণী আদি প্ৰতিযোগিতাবিলাকে আৰু কম বয়সীয়া সমল ব্যক্তিৰ দ্বাৰা পৰিচালিত কৰ্মশালাবিলাকে। ডেকা বিহুৱাৰ ঢোলৰ চেঁৱত গাভৰু নচুওৱা, আঁঠুকাঢ়ি পেঁপা বজোৱা, পেঁপাঁদাৰীৰ কাষে কাষে নাচনীয়ে গা পকাই নচা, সকলো সময়তে পাক-ঘূৰণি দি নচা, অসমৰ বিহুতলীত আগেয়ে শুনিবলৈ নোপোৱা দীঘল সুৰৰ যোজনা আৰু তেনে যোজনা গালেই ফেঁট তুলি ঘূৰণ দিয়া, বিহুনাম বুলি বিহুসুৰীয়া গীত গোৱা আদি দৃশ্য কথাবোৰ টিভিত আৰু মঞ্চবিহুত দেখাৰ পৰাই নতুন প্ৰজন্মলৈ বাগৰি আহিছে।

বিহুৰ সাজপাৰৰ ক্ষেত্ৰতো অলেখিনি বিসংগতি ৰ ত্ৰুটি লক্ষনীয়। পুৰনিকালৰ বিহুৱা বিহুৱতী-তে সৰ্বাংগ ঢাকি মাৰ্জিত আৰু ৰুচিসন্মত

পোছাক-পাতি আৰু আ-অলংকাৰ পৰিধান কৰিছিল। বৰ্তমানৰ বিহুৱতী নাচনীসকলে কৰ্কালৰ নিম্নাংশ নাইবা বুকু পিঠি ঢাক নোখোৱাকৈ চুটি ৰিহা পিন্ধি নিজৰ বিকৃত মানসিকতাৰ পৰিচয় দাঙি ধৰাটো অতি পৰিতাপৰ বিষয়।

মানুহৰ চিন্তাধাৰা আৰু সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ লগে লগে বিহু উৎসৱতো বিৱৰ্তন ঘটাটোত একো আচৰিত হবলগীয়া নাই; কিন্তু মিলপ্ৰীয়া অসমীয়া জাতিৰ বিহুৰ অতীত ঐতিহ্যই আমাক সততে সোঁৱৰাই দিয়ে যে বিহু কৃষিজীৱী সমাজে সৃষ্টি কৰা উৎসৱ, বিহু বৰ জাতিৰ সাংস্কৃতিক উপাদানৰ সমন্বয়ত গঢ় লোৱা উৎসৱ। গতিকে সেই ঐতিহ্য সেই গৌৰৱ অক্ষুন্ন ৰখাৰ দায়িত্ব আমাৰ সমাজৰ নতুন প্ৰজন্মৰ। অসমী আইৰ সুযোগ্য সন্তান, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই প্ৰতিগৰাকী অসমীয়াক সোঁৱৰাই দিছিল —

যথাযতে আত্মসন্মান আৰু আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে, জাতীয় যুদ্ধত দেৱ

পাৰিজাতৰ জয়মালা পিন্ধিবলৈ হ'লে জাতীয় উৎসৱ আদিৰ সন্মান বঢ়াব লাগিব আৰু সুকলি মনেৰে তাক পালিব লাগিব ।'

অসমীয়া জাতিৰ বাপতি সাহেন বিহুটোৱে যাতে মৌলিকতা নেহেৰুৱায় তালৈ লক্ষ্য ৰাখি, বিহু সংস্কৃতিৰ পৰম্পৰাগত স্বৰূপটো প্ৰতিজন অসমীয়াই হৃদয়েৰে উপলব্ধি কৰিবলৈ প্ৰয়াস কৰিলেই বিহু পালনৰ সাৰ্থকতাও নিশ্চয় অনুভূত হ'ব ।

পাৰিজাতৰ জয়মালা পিন্ধিবলৈ হ'লে জাতীয় উৎসৱ আদিৰ সন্মান বঢ়াব লাগিব আৰু সকলো মনেৰে তাক পালিব লাগিব ।'

অসমীয়া জাতিৰ বাপতি সাহোন বিহুটোৱে যাতে মৌলিকতা নেহেৰুৱায় তালৈ লক্ষ্য ৰাখি, বিহু সংস্কৃতিৰ পৰম্পৰাগত স্বৰূপটো প্ৰতিজন অসমীয়াই হৃদয়েৰে উপলব্ধি কৰিবলৈ প্ৰয়াস কৰিলেই বিহু পালনৰ সাৰ্থকতাও নিশ্চয় অনুভূত হ'ব ।

# পঞ্চম অধ্যায়

হেঙুলীয়া আভা বিৰিঙাই তোলে মাখোন। লখিমী আই আহি যেন পথাৰৰ শ্যামলীলাৰ মাজত খিত লয় আৰু দেৱী আইৰ চপাঁকলি যেন আঙুলিৰ পৰশ পাই পথাৰে স্নেহময়ী ৰূপ ধাৰণ কৰে।

৬.১ : তুলসী গছ ৰোৱা পৰম্পৰা :

কাতি বিহুৰ দিনা কৃষিজীৱী অসমীয়াই ঘৰ-দুৱাৰ, বাৰী-বস্তি আৰু ধাননি পথাৰত চাকি-বন্তি নৈবেদ্য আগবঢ়াই সেৱা জনায়। ঘৰৰ চোতালত পূৰমূৰে তুলসীৰ গছ নকৈ ৰোৱে আৰু তুলসীৰ তলত প্ৰজ্বলিত বন্তিগছিৰ শান্ত স্নিগ্ধ কোমল জেউতিয়ে যেন পথাৰৰ লখিমীক ভৰাঁললৈ আহিবলৈ বাট দেখুৱায়। তুলসী ৰোৱা মাটিৰ ঢাপটোৰ ওচৰতে দীঘল বাঁহ এডাল পুতি আকাশমাৰ্গতো বন্তি জ্বলোৱা হয়। এইদৰে চাৰিওদিশে পোহৰাই তুলি যেন অসমীয়া জাতিয়ে লখিমীক আগমনৰ পূৰ্বাভাৰ দিয়ে আৰু অভাৱ অনাটন, দুখ-যাতনা, বিষাদ বেদনাক দূৰতে বিদূৰ কৰে। কাতি বিহুৰ দিনাখনৰ

পৰা তুলসীৰ তলত বন্তি প্ৰজ্জ্বলন কৰাটো মূলত শাস্ত্ৰ ব্যৱস্থিত। এই কাৰ্য লৌকিক আচাৰ মাথোন নহয়. ইয়াৰ লগত ধৰ্মীয়ভাৱে আৰু পৱিত্ৰতা জড়িত হৈ থাকে।

কাতি বিহু মূলত লখিমীক আদৰানি জনোৱা উৎসৱ। এই উৎসৱৰ লৈতে সাঙোৰ খাই আছে চহা প্ৰাণৰ লৌকিক বিশ্বাস আৰু গভীৰ আস্থা। সমগ্ৰ কাতি মাহ জুৰি তুলসীৰ তল পোহৰাই ৰাখি কৃষকৰ মন প্ৰশান্তিৰে ভৰি পৰে।

৬.২ : আকাশ বন্তি :

আহিন, কাতি মাহত পথাৰত গৰ্ভৱতী শইচ। গৰ্ভৱতী নাৰীক ঘৰখনে, সমাজখনে সতৰ্ক দৃষ্টিত ৰখাৰ দৰে আমাৰ পথাৰৰ লখিমীকো কৃষিজীৱী সমাজখনে আটোম টোকাৰিকৈ ৰাখিবলৈ যত্ন কৰে, যাতে অপায় অমঙ্গল স্বৰূপ পোক-পতংগই এই গৰ্ভৱতী লখিমীক কোনো অনিষ্ট সাধন কৰিব নোৱাৰে। সেয়ে, আহিন, কাতিৰ সংক্ৰান্তিৰ পৰা সমগ্ৰ কাতি মাহজুৰি পথাৰত সন্ধিয়া আকাশ বন্তি জ্বলোৱা হয়।

পথাৰত তেল - শলিতাৰ চাকি জ্বলোৱাৰ উপৰি বিভিন্ন উপায়েৰে বন্তি জলায়। ফলত এই বন্তিশিখাত পোক - পতংগবোৰে আত্মাহুতি দিয়ে। অথবা আঁতৰি যায়। বাঁহ বা কাঠৰ টুকুৰা জোৰা দি ওপৰ মূৰটোত বন্তিগছি কায়দাকৈ স্থাপন কৰি সমগ্ৰ নিশা জুৰি জ্বলোৱা হয়। কোনো কোনো অঞ্চলত নিজ ঘৰৰ চোতালত অথবা ভঁৰাল ঘৰৰ কাষত আকাশবন্তি জ্বলায়। মানুহৰ লোকবিশ্বাস সমগ্ৰ কাতিমাহ জুৰি কাৰ্তিক দেৱতাই গৰ্ভৱতী লখিমীক পহৰা দিয়ে বাবেই পোহৰ জ্বলোৱা হয়।

# ষষ্ঠ অধ্যায়

## ৭.০০: মাঘ বিহুৰ লোকাচাৰ :

পুহ - মাহৰ সংক্ৰান্তিৰ দিনা মাঘ বিহু বা ভোগালী বিহু পালন কৰা হয়। ভোগ আৰু আনন্দৰ প্ৰাচুৰ্যৰে ভৰা অসমীয়া মানুহৰ মনত কেৱল আনন্দৰ বোল অনা ভোগালী বিহু। মূলত পুহ মাহৰ লাখিমী পথাৰত ধান কটাৰ সময়ৰেই পৰা আৰম্ভ হয় মাঘৰ বিহুৰ প্ৰস্তুতি আৰু আনন্দ। এই বিচিত্ৰ সময়খিনিতেই অসমৰ খেতিয়কৰ ঘৰ খাদ্য-শস্য তথা ভোগৰ সামগ্ৰীৰে পৰিপূৰ্ণ হৈ পৰে। এইখিনি সময়ত অসমৰ খাল - বিলবোৰতো মাছ- পুঠিৰ পূৰ্ণ পয়োভৰ। গতিকে বাস্তৱিকতে বিভিন্ন ভোগৰ সামগ্ৰীৰেই উদ্‌যাপিত হয় অসমৰ অসমীয়া বাপতি-সাহোন মাঘ বিহু যাৰ বাবে মাঘ হৈ পৰে ভোগালী।

ঘৰৰ গৃহিনী, জীয়ৰী - বোৱাৰীহঁতে বিহুৰ কেইদিনমান আগৰে পৰাই ঢেঁকীশালত ধান বানি মাহটোৰ বাবেই প্ৰয়োজনীয় চাউল - পাতৰ যোগাৰ কৰি লয়। আকৌ ঘৰে ঘৰে বিধে-

বিধে পিঠা পনাৰ প্ৰস্তুতি চলাই। তিল-পিঠা, ঘিলা-পিঠা, চুঙা-পিঠা, তিলৰ লাড়ু, নাৰিকলৰ লাড়ু, মাটিমাহৰ জিলাপী, মাহকড়াই আদিবোৰ তৈয়াৰ কৰি লয়। মাঘ মাহৰ মাঘী ভোগালী। আকৌ ঘৰৰ জীয়ৰী-বোৱাৰীহঁতে বিহুক আদৰিবলৈ বিহু পালনৰ আগেয়েই পৰা নিকা মাটি বা বগা মাটিৰে ঘৰ-দুৱাৰ লেপি-মচি তথা ঘৰৰ কাপোৰ-কানি ধুই পৰিষ্কাৰ-পবিত্ৰ হৈ লয়, মন ফৰকাল কৰি লয়।

৭.১: মাঘ বিহুৰ লগত জড়িত নীতি-নিয়ম:

বিহুৰ কেইদিনমান আগেয়েই পৰা গাঁৱৰ ডেকাহঁতে, ল'ৰাহঁতে পথাৰৰ পৰা মহৰ শিঙৰ পেঁপা বজাই ঢোল-তাল বজাই বিহুগীত গাই, ফূৰ্তি-তামাচা কৰি নৰা আনি ৰাজহুৱা স্থানত মাঘৰ দোমাহীৰ দীনা সমূহীয়া অগ্নিসেৱাৰ কাৰণে মেজি সাজে। আকৌ পথাৰত নৰা, কলপটুৱা, বাঁহ আদিৰে ভেলাঘৰ, হাড়লি-ঘৰ আদি সাজি গাঁৱৰ ল'ৰাহঁতে, ডেকাহঁতে, গঞাই

মিলিজুলি বিবিধ ব্যঞ্জন তথা মাছ মঙহেৰে ভোজভাত খাই মাঘৰ দোমাহীৰ আগদিনা ৰং-তামাচা কৰি উজাগৰী নিশা কটাই - যাত প্ৰকাশ পায় মাঘৰ ভোগালী বিহুৰ বিখ্যাত উৰুকাৰ ৰূপ-ৰস-গোন্ধ আৰু আনন্দ। প্ৰকৃততে সকলোৱে মিলিজুলি ভোজভাত খাই মনৰ আনন্দ প্ৰকাশ কৰাই মাঘ বিহুৰ উৰুকাৰ মূল বৈশিষ্ট্য। ইফালে উৰুকাৰ পিছদিনাই দোমাহী। অৰ্থাৎ ভোগালী মাঘ বিহু। সেইদিনা ঘৰৰ সকলোৱে দোকমোকালিতে উঠি গা-পা ধুই ৰাজহুৱা স্থানত নিৰ্মান কৰা মেজি, ভেলাঘৰবোৰ লৌকিক ক্ৰিয়া-কাণ্ডৰে জ্বলাই দি সম্প্ৰীয়া অগ্নিসেৱা কৰি পুহ-মাঘমহীয়া জাৰক বিদায় দিয়ে। লগতে অগ্নিদেৱতাক সকলোৱে প্ৰাৰ্থনা জনায় যাতে বছৰটোত তেৰাই কোনো অপায়-অমঙ্গল নঘটাই অতি শান্তিৰে, মঙ্গলেৰে, সুখ-সমৃদ্ধিৰ মাজেৰে পাৰ কৰি নিয়ে। অগ্নিসেৱাৰ পাছতে প্ৰত্যেকেই ভোগালীক স্বাগতম জনাই নিজ নিজ ঘৰলৈ আহি ঘৰৰ গুৰুজনাক,

জেষ্ঠজনক সেৱা-সৎকাৰ কৰি বছৰটোৰ মঙ্গল কামনাৰে আশীৰ্বাদ লয়। সকলোৱে মিলিজুলি একেলগে দেখাদেখিকৈ বহি অতি আনন্দ মনেৰে ঘৰৰ গৃহিনী, আইদেউ, জীয়ৰী-বোৱাৰীহঁতে পূৰ্বে বিধে বিধে বনাই থৈ দিয়া বিভিন্ন পিঠা-পনা, লাড়ু, দৈ, চিৰা, মিঠৈ আদি খায়। লগতে ঘৰলৈ অহা বিভিন্ন আলহী-অতিথি, ইষ্ট কুটুম্ব আদিকো ঘৰৰ গিৰিহঁতে খুৱাই বুৱাই শান্তি লভে, আনন্দ পায়।

৭.২: খেল-ধেমালি:

আকৌ মুখৰ ভোগ, জিভাৰ ভোগ, পেটৰ ভোগৰ পাছতেই আৰম্ভ হয় মনৰ ভোগ। অৰ্থাৎ বিভিন্ন ৰং-তামাচা, স্ফূৰ্তি সম্পৰ্কীয় সমন্বয়সূচক খেল ধেমালি। বিহুৰ দিনাখন সকলোৱে মিলি একেলগে খেল-ধেমালি কৰে। কণী যুঁজ, বুলবুলি যুঁজ, ম'হ যুঁজ, কুকুৰা যুঁজ, টেকেলী ভঙা আদি খেলবোৰে সকলোকে মতলীয়া কৰি তোলে। এইবোৰৰ মাজেৰে বিহুৱলীয়া অসমীয়াই উপভোগ কৰে মানসিক ভোগ অৰ্থাৎ আনন্দ।

এই ৰূপেৰেই পালন কৰিছিল অসমৰ অসমীয়াই মাঘৰ ভোগালীক। কিন্তু সম্প্ৰতি অসমত আৰু পূৰ্বৰ সেই আনন্দবোৰ নাই। তথাপিতো যি অৱশিষ্ট আছে সেই অৱশিষ্ট-খিনিৰে আমি জীয়াই থকা অসমীয়াখিনিয়ে বিহু পাতিবই লাগিব। ভোগালীৰ ভোগ-ৰূপ-আনন্দ উপভোগ কৰিবই লাগিব। তেহে আমি অসমীয়া হৈ থাকিব পাৰিম।

# সপ্তম অধ্যায়

৮.০০. উপসংহাৰ ঃ

জগত-খনৰ বস্তুবোৰ যিদৰে সদায় একেধৰণে নাথাকে কোনো জাতিৰ উৎসৱ-অনুষ্ঠান সমূহো একেটা ৰূপতে নাথাকে। গৱেষণাৰ বিষয়সমূহৰ আলোচনাৰ পৰা দেখা যায় উৎসৱ-অনুষ্ঠানে মানুহক উৎসাহিত কৰে, ইজনক সিজনৰ প্ৰতি শ্ৰদ্ধাশীল কৰি তোলে, লগতে আনন্দত মতলীয়া কৰি উদ্বুদ্ধ কৰি তোলে। তদুপৰি নাচ-গান, পূজা সেৱা ইত্যাদি অনেক অনুষ্ঠান উৎসৱৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থাকে।

গৱেষণামূলক কৰ্মৰ 'প্ৰথম অধ্যায়'ত গাঁৱৰ পৰিচয়ত গাঁৱৰ ভৌগোলিক স্থিতি, সীমা, মাটিকালি, জনসংখ্যা, জীৱিকা, ধৰ্ম, প্ৰসিদ্ধ স্থানৰ লগতে নলবাৰী জিলাৰ চমু আলোচনা কৰা হৈছে।

গৱেষণামূলক কৰ্মৰ 'দ্বিতীয় অধ্যায়'ত সংস্কৃতিৰ স্বৰূপ সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজনৰ লগত সংস্কৃতি ভাগসমূহৰ চমু আলোচনা কৰা হৈছে।

গৱেষণামূলক কৰ্মৰ 'তৃতীয় অধ্যায়'ত লোকাচাৰৰ, লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ, লোকাচাৰৰ সৈতে সামাজিক সম্পৰ্ক, পৰম্পৰাগত উৎসৱ অনুষ্ঠানৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হৈছে

গৱেষণামূলক কৰ্মৰ 'চতুৰ্থ অধ্যায়'ত ব'হাগ বিহুৰ লোকাচাৰত গৰু বিহু, মানুহ বিহু, ভথেলী উৎসৱ পালন, ব'হাগ বিহুৰ লগত গছ-লতিকাৰ সম্পৰ্ক, ব'হাগ বিহু সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে।

গাঁৱৰ উৎসৱ-অনুষ্ঠানসমূহৰ সম্পৰ্কে কৰা পৰ্যালোচনাৰ পৰা দেখা গৈছে যে প্ৰতিটো উৎসৱ-অনুষ্ঠান মূল উৎসৱ পৰা কালক্ৰমিক পৰিবৰ্তন ঘটি বিশ্বায়নৰ গ্ৰাসত সোমাই পৰিছে। যাৰ ফলত উৎসৱ-অনুষ্ঠানসমূহৰ পূৰ্বৰ দৰে মাদকতা নোহোৱা হৈ পৰিছে।

# গ্ৰন্থপঞ্জী


১। গগৈ চাও লোকেশ্বৰ : অসমৰ লোকসংস্কৃতি (২)
(প্ৰথম প্ৰকাশ : ফেব্ৰুৱাৰী ২০১১)

২। ডেকা লীনা : সংস্কৃতিৰ ৰূপৰেখা
(প্ৰথম প্ৰকাশ : ২০১২)

৩। দাস নাৰায়ণ : অসমৰ সংস্কৃতি কোষ
(দ্বিতীয় প্ৰকাশ : জুলাই ২০১৪)

৪। দাস অংশুমান : অসমৰ উৎসৱ-পাৰ্বন বুটলি
(প্ৰথম প্ৰকাশ ; জুলাই ২০১২)

৫। বৰুৱা বিৰিঞ্চি কুমাৰ : অসমৰ লোক-সংস্কৃতি
(প্ৰথম প্ৰকাশ ; মাৰ্চ ২০১৮)

৬। ভূঞা মনিমা : লোক-সংস্কৃতিৰ ৰূপ-দৰ্শন
(প্ৰথম প্ৰকাশ : ২০১৭)

৭। মহন্ত সমীন্দ্ৰ নাথ, সমৰ তালুকদাৰ : নলবাৰীৰ ৰূপশিখা
(প্ৰথম প্ৰকাশ : ২০১৭)

৮। লেখাৰু জিতু কুমাৰ : অসমৰ লোক-উৎসৱ আৰু লোকসংস্কৃতি
(প্ৰথম প্ৰকাশ : ডিচেম্বৰ ২০০৮

৯। শৰ্মা নবীন চন্দ্ৰ : অসমীয়া লোক-সংস্কৃতিৰ আভাস
(প্ৰথম প্ৰকাশ : ১৯৮৯)

## গ্ৰন্থপঞ্জী


১। গগৈ চাওঁ লোকেশ্বৰ : অসমৰ লোকসংস্কৃতি (২) (প্ৰথম প্ৰকাশ : ফেব্ৰুৱাৰী ২০১১)

২। ডেকা লীনা : সংস্কৃতিৰ ৰূপৰেখা (প্ৰথম প্ৰকাশ : ২০১২)

৩। দাস নাৰায়ণ : অসমৰ সংস্কৃতি কোষ (দ্বিতীয় প্ৰকাশ : জুলাই ২০১৪)

৪। দাস অংশুমান : অসমৰ উৎসৱ-পাৰ্বন বুটলি (প্ৰথম প্ৰকাশ : জুলাই ২০১২)

৫। বৰুৱা বিৰিঞ্চি কুমাৰ : অসমৰ লোক-সংস্কৃতি (প্ৰথম প্ৰকাশ : মাৰ্চ ২০১৮)

৬। ভূঞা মনিমা : লোক-সংস্কৃতিৰ ৰূপ-দৰ্শন (প্ৰথম প্ৰকাশ : ২০১৭)

৭। মহন্ত সমীন্দ্ৰ নাথ, সমৰ তালুকদাৰ : নলবাৰীৰ ৰূপশিখা (প্ৰথম প্ৰকাশ : ২০১৭)

৮। লেখাৰু জিতু কুমাৰ : অসমৰ লোক-উৎসৱ আৰু লোকসংস্কৃতি (প্ৰথম প্ৰকাশ : ডিচেম্বৰ ২০০৮

৯। শৰ্মা নবীন চন্দ্ৰ : অসমীয়া লোক-সংস্কৃতিৰ আভাস (প্ৰথম প্ৰকাশ : ১৯৮৯)

# আলোক চিত্ৰ



চিত্ৰ নং ১ – বিহু নৃত্য



চিত্ৰ নং ২ – পথাৰত বন্তি প্ৰচলন



চিত্র নং ৩ – মেজি জ্বলোৱাৰ আগৰ দৃশ্য